চান্দমামা

মার্চ ১৯৯৩



সকলোৰে আহাছোন কেম্পকো-ৰ গাবলৈ গুণ!

"গাখীৰৰ গুণ ভৰা, পুষ্টিও আছে ওপচি. মেয়ে যাঁও খাবলৈ সকলো লৈ ৰচি।
এনে এটা চকোলেট- অমৃত সকলো যত, কেম্পকো ক্ৰীমি মিল্ক চকোলেট।"

ভাৰতৰ এটাইতকৈ ডাঙৰ, সবাতোকৈ আধুনিক প্লাণ্টত তৈৰি।
কেম্পকো লিমিটেড, মাঙ্গালোৰ.



R K SWAMY/BBDO CL 10117 AS



TAP GHAR
HU—781371

চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী, উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপুৰ।

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬



Your child and Coon
You just can't keep them apart.

TEDDY

A wide range of soft toys from the Chandamama Collection – each with its own unique appeal!

Every Soft Toy in the Chandamama Collection has been specially made to bring your child years of warmth and friendship.

BUNNY

- *Totally Safe – for children of any age.*
- *Durable – high quality synthetic fibre used.*
- *Washable – will not lose shape.*

And now – a surprise gift offer !

With every Chandamama Soft Toy you buy. Ask your shopkeeper for a

Free Gift Coupon.

Simply fill it in and mail it to the given address. We will post you gifts that will keep your child amused and happy for hours.

Buy Now – offer open for a limited period only!

Available at all leading outlets.

JUMBO

FOXY

THE

CHANDAMAMA

COLLECTION

ARTIG/CT/1121

Statement about ownership of CHANDAMAMA (Assamese)
Rule 8 (Form VI), Newspapers (Central) Rules, 1956

1. Place of Publication	'CHANDAMAMA BUILDINGS' 188, N.S.K. Salai Vadapalani, Madras-600 026
2. Periodicity of Publication	MONTHLY Ist of each calender month
3. Printer's Name	B.V. REDDI
Nationality	INDIAN
Address	Prasad Process Private Limited 188, N.S.K. Salai Vadapalani, Madras-600 026
4. Publisher's Name	B.VISWANATHA REDDI
Nationality	INDIAN
Address	Chandamama Publications 188, N.S.K. Salai Vadapalani, Madras-600 026
5. Editor's Name	B.NAGI REDDI
Nationality	INDIAN
Address	'Chandamama Buildings' 188, N.S.K. Salai Vadapalani, Madras-600 026
6. Name and Address of individuals who own the paper	CHANDAMAMA PUBLICATIONS PARTNERS: 1. Sri B. VENKATRAMA REDDY 2. Sri B.V. NARESH REDDY 3. Sri B.V. SANJAY REDDY 4. Sri B.V. SHARATH REDDY 5. Smt. B. PADMAVATHI 6. Sri B.N. RAJESH REDDY 7. Smt. B. VASUNDHARA 8. Kum. B.L. ARCHANA 9. Kum. B.L. ARADHANA(Minor) (Minor admitted to the benefits of Partnership) 'Chandamama Buildings' 188, N.S.K. Salai Vadapalani, Madras-600 026

I, B Viswanatha Reddi, hereby declare that the particulars given above are true to the best of my knowledge and belief.

1st March 1993

B. VISWANATHA REDDI
Signature of the Publisher

চান্দমামা

সংস্থাপক: চক্ৰপাণি   সঞ্চালক: বি নাগিৰেড্ডি

মানৱিক মূল্যবোধ পুনঃ প্ৰতিষ্ঠাৰ এয়েহে সময়

সামান্য দিনৰ আগতেই আমাৰ দেশত সাম্প্ৰদায়িক সংঘৰ্ষই মূৰ দাঙিছিল, আৰু এই ঘটনা ঘটিল আমাৰ স্বাধীনতাৰ প্ৰাপ্তিৰ প্ৰায় অৰ্ধশতিকাৰ পাচতো! আগতেও এনে কুৎসিত কাণ্ড নঘটা নাছিল, ঘটিছিল ৰাজনৈতিক কাৰণত। তেতিয়া আমাৰ ঐতিহ্যক মষিমূৰ কৰি সাম্প্ৰদায়িতাই অখণ্ড ভাৰতক খণ্ডিত কৰিছিল।

সেই বেদনাদায়ক ঘটনাৰ পাছৰপৰা সাম্প্ৰদায়িকতাৰ ফালৰপৰা আমি মোটামুটি ভাবে শান্তিৰেই বসবাস কৰি আহিছোঁ। আমাৰ বিভিন্ন বৈচিত্ৰ্যপূৰ্ণ পৃথক পৃথক ঐতিহ্য-সংস্কৃতিৰ মাজেদি এক একত্বৰ সৌৰভ বিয়পি পৰিছিল ভাষাৰ তথা ধৰ্মৰ বিভিন্নতা সত্বেও।

কিন্তু হঠাৎ এনেহেন এক অথন্তৰীয়া অৱস্থাৰ সৃষ্টি হ'ল কিয়? কিয় মানুহে মানুহক অযথা ঘৃণা কৰা হ'ল? যি মানুহৰ মনৰ মাজত হিংসা-দ্বেষ থাকে সেই একেইখিনি মানুহৰ মনৰ মাজত মহত্বও নথকা নহয়। প্ৰতি ধৰ্মযেই মানুহক ভাল পাবলৈ মানুহৰ প্ৰতি মানুহে প্ৰেম কৰিবলৈ শিক্ষা দিয়ে। তেনেস্থলত— কিয়নো আমি এনেবোৰ কুৎসিত কাণ্ড কৰি থাকিম?

মানৱিক মূল্যবোধৰ পুনঃ প্ৰতিষ্ঠাৰ বাবে আমি এইবাৰ যুঁজ দিম—এয়ে হওক আমাৰ কঠোৰ প্ৰতিজ্ঞা। এই বিষয়ে ভাৰতৰ ৰাষ্ট্ৰপতি শংকৰদয়াল শৰ্মাদেৱে যি কৈছে, প্ৰণিধানযোগ্য। তেওঁ কৈছে: সুপ্ৰাচীন কালৰেপৰাই আমাৰ ঐতিহ্য হ'ল একত্ব, দয়া, অহিংসা আৰু সেৱা। এয়েহে ভাৰতীয় জনসাধাৰণৰ ধৰ্ম। আহক, আমি সকলোৱে মিলি এই মানৱিক মূল্যবোধৰ প্ৰতিষ্ঠা কৰোঁ।

বছৰ: ১৭   মাৰ্চ ১৯৯৩   সংখ্যা: ১২

খনে ৪·০০ টকা :: বছৰেকীয়া বৰঙনি ৪৮·০০ টকা

চান্দমামা জাতীয় পুৰস্কাৰেৰে সন্মানিত

আপোনালোকৰ চান্দমামাই নতুন বছৰত এক অভাৱিত-অতুলনীয় পুৰস্কাৰ কঢ়িয়াই আনিলে জাতীয় পুৰস্কাৰৰূপী এক বিশেষ বটা আৰু লগতে ২৫,০০০ (পঁচিছ হাজাৰ) টকা। ১৯৯২ চনৰ ডিচেম্বৰ মাহৰ ২৭ তাৰিখৰ দিনা মহাৰাষ্ট্ৰৰ ইছকৰঞ্জি নামৰ ঠাইৰ এফ. আই. ই. ফাউণ্ডেশ্যনে (FIE FOUNDATION) এক জাকজমকীয়া অনুষ্ঠান পাতি চান্দমামালৈ এই জাতীয় পুৰস্কাৰ (NATIONAL AWARD) অৰ্পণ কৰিছিল।

চান্দমামালৈ জাতীয় পুৰস্কাৰ প্ৰদান কৰাৰ উপলক্ষ্যে প্ৰদত্ত মানপত্ৰত কোৱা হৈছে :

‘আমাৰ এই বিৰাট দেশৰ আপামৰ জনসাধাৰণৰ মাজত, বিশেষকৈ কিশোৰ-কিশোৰীসকলৰ মাজত, ভাষাৰ বিভিন্নতা সত্বেও, বিগত প্ৰায় অৰ্ধশতাব্দীৰপৰা নিয়মীয়াকৈ প্ৰকাশিত মাহেকীয়া চান্দমামাই এক অতি বিশিষ্ট স্থান অধিকাৰ কৰিছে। প্ৰকৃতপক্ষে, ক'বলৈ গ'লে, চান্দমামা ভাৰতীয় সাংস্কৃতিক জীৱনৰ এক অংগ হৈ উঠিছে।

‘আজিৰপৰা প্ৰায় অৰ্ধশতিকাৰ আগতে, ভাৰতৰ কোটি কোটি গৃহৰ অভিভাৱকৰ হৈ, প্ৰয়াত শ্ৰীচক্ৰপাণিদেৱে শিশুসকলৰ কাৰণে এখন শিক্ষামূলক আৰু লগতে চিত্তাকৰ্ষক মাহেকীয়াৰ কথা চিন্তা কৰিছিল আৰু বৰ্তমান-সঞ্চালক শ্ৰী বি. নাগিৰেড্ডিদেৱে এগৰাকী একনিষ্ঠ সেৱক হিচাপেই সেই দুৰূহ কাৰ্য্যভাৰ গ্ৰহণ কৰিছিল, যাৰ ফলশ্ৰুতি হ'ল ১২টি বিভিন্ন ভাষাত আৰু লগতে—অন্ধসকলৰ বাবে ব্ৰেইল-চান্দমামাৰ প্ৰকাশ।

‘শিশুসকলৰ, চেমনীয়াসকলৰ, তথা নাৰীশিক্ষাৰ এক অন্যতম বাহন তথা অত্যুজ্জ্বল মাধ্যম হ'ল এই হেজাৰ-বিজাৰ গল্প-গাঁথা, ধাৰাবাহিক, পৌৰাণিক. লোক-কথা তথা উল্লেখযোগ্য ব্যক্তি আৰু ব্যক্তিত্বসকলৰ জীৱন-কথা-সমন্বিত চান্দমামা। চান্দমামাৰ জৰিয়তে ভাৰতৰ সকলোতে সকলো শিশু-চেমনীয়াৰেই নহয়, চান্দমামাৰ সদৌ পাঠক-পাঠিকাসকলেই হৈ উঠিছে এক আৰু অবিভাজ্য স্বৰূপ। দেশৰ এক বৃজন সংখ্যক অধিবাসীয়ে চান্দমামাৰ যোগেদি জাতীয় একতাৰ সৌৰভ লাভ কৰা হৈছে বুলি নিৰ্দ্বিধাই ক'ব পাৰি।’

এফ. আই. ই. ফাউণ্ডেশ্যনে বিগত দুই দশক ধৰি বিজ্ঞান আৰু শিল্প, এন্‌জিনিয়্যাৰিং, বিজনেছ ম্যানিজমেণ্ট, কলা-সংস্কৃতি, কৃষি, খেলা-ধূলা আৰু মানৱিকতাৰ ক্ষেত্ৰতো স্বীকৃতিমূলক পুৰস্কাৰ আগ বঢ়াই আহিছে। আনকি ব্যক্তিগত সৎপ্ৰচেষ্টাৰ ক্ষেত্ৰতো এওঁলোকে দৃষ্টিপাত কৰিছে আৰু যথাযোগ্য সন্মান তথা শলাগৰ শৰাই আগ বঢ়াইছে আৰু এইদৰে জাতীয় পুৰস্কাৰৰ যোগেদি জাতীয় একতাক সুদৃঢ় কৰিছে।

আমাৰ চান্দমামাৰ অগণিত পৃষ্ঠপোষক, পাঠক, শুভানুধ্যায়ী তথা শুভেচ্ছাকামীৰ সৈতে আমিও আজি চান্দমামাই কঢ়িয়াই অনা জাতীয় পুৰস্কাৰৰ বিমল আনন্দৰ ভাগ লৈছোঁ।

চান্দমামা পাবলিকেশ্যনছৰ হৈ,
বি. বিশ্বনাথ ৰেড্ডি

চীনদেশত হাওৱা বদল

ছোভিয়েতদেশত কমিউনিস্ট চৰকাৰৰ পতন আৰু ১৯৯১ চনত ইউ. এছ. এছ. আৰ-ৰ ভাঙনৰ পাছত চীনৰ নিচিনা কিছুমান কমিউনিস্ট দেশত হাওৱা বদলৰ তথা পৰিবৰ্তনৰ ঢৌ বাগৰি অহা যথেষ্টভাবে পৰিলক্ষিত হৈছে।

যোৱা বছৰৰ অকট'বাৰ মাহত অনুষ্ঠিত চীনদেশৰ চতুৰ্দশ জাতীয় মহাসভাৰ অধিবেশনত সমাজবাদী বজাৰ-অৰ্থনীতি' (Socialist Maiket Economy)ৰ আধাৰত দেশৰ সংবিধানত কিছু কিছু পৰিৱৰ্তন কৰা হৈছে। এই সাংবিধানিক পৰিৱৰ্তনৰ ফলত 'পৰ্দাৰ আঁৰত' থকা কিছুমান দেশৰ সৈতে বিভিন্ন স্তৰত বাণিজ্যিক তথা শৈল্পিক অৰ্থাৎ টেকনিক্যাল কলা-কৌশলগত আদান-প্ৰদানো সম্ভৱ হৈ উঠিব বুলি আশা কৰা হৈছে। সাৰাৰ্থত—নিৰ্দ্বিধাই ইয়াকে ক'ব পাৰি যে, পৃথিৱীৰ অন্যান্য দেশৰ বাবে চীনদেশেও অতঃপৰ দুৱাৰ খুলি দিছে।

এই অধিবেশনত সৰ্বসম্মতভাবে এই মত প্ৰকাশ কৰা হৈছে যে—নানান বাধা-বিঘ্ন থকা বৰ্তমান অৰ্থনীতিয়ে দেশৰ আৰ্থিক প্ৰগতিৰ বাটত বাগৰি জেং ৰূপে মূৰ দাঙি উঠিছে। পাৰ্টিৰ প্ৰধান সচিবে তেওঁৰ ২.৬০০ শব্দৰ প্ৰতিবেদনত কৈছে যে—অৰ্থনীতিক যেতিয়াই বন্ধনৰপৰা মুক্তি দিয়া হৈছে, তেতিয়াই আৰ্থিক প্ৰগতিও পৰিলক্ষিত হৈছে। সেই প্ৰতিবেদনত এই কথাও কোৱা হৈছে যে—'পৰিৱৰ্তনো বিপ্লৱেই আৰু এই পৰিৱৰ্তনৰ একমাত্ৰ লক্ষ্য হ'ল সাবিক উন্মুক্ত উৎপাদন।'

এই অধিবেশনত গৃহীত প্ৰস্তাৱক 'চীনদেশৰ দ্বিতীয় বিপ্লৱ' বুলি অভিহিত কৰা হৈছে, আৰু তাৰ বাবে সমগ্ৰ দেশতে আনন্দ প্ৰকাশ কৰা হৈছে। চীনদেশৰ প্ৰথম বিপ্লৱ সাধিত হৈছিল ১৯৪৯ চনত মাও ৎচে তুঙৰ (মাও জে দং) নেতৃত্বত—যেতিয়া চীনদেশ কমিউনিস্ট শাসনৰ অধীন হৈছিল। মাও-ৰ মৃত্যুৰ অন্তত, তেওঁৰ সোঁহাতস্বৰূপ বুলি বিবেচিত দেং জিয়াওপিং যেতিয়া নেতৃত্বত অভিষিক্ত হ'ল, তেতিয়া তেওঁ চীনদেশৰ অৰ্থনীতিক টনকিয়াল তথা বাধামুক্ত তথা পুনঃনিৰ্মিত কৰি তুলিবলৈ পদক্ষেপ লৈছিল। ১৯৮৭ চনত অনুষ্ঠিত ত্ৰয়োদশ জাতীয় মহাসভাৰ অধিবেশনৰ পাছত দেং জিয়াও পিঙক 'পলিট বিউৰো'ত অৰ্থাৎ ছেনট্ৰাল কমিটিত আৰু দেখা নগ'ল। তাৰ পাছৰপৰা দেং জিয়াও পিঙক পাৰ্টিৰ কোনো গুৰুত্বপূৰ্ণ পদতে দেখা নগৈছিল।

এতিয়া তেওঁ ৮৮ বছৰীয়া। তথাপি পদাধিকাৰবিহীনতা সত্বেও এতিয়াও তেওঁ

শান্তিৰ বাবে পৰিবৰ্তনৰ বাবে নিৰলস প্ৰচেষ্টা চলাই আছে। তেওঁৰ নীতিক 'দেঙৰ সিদ্ধান্ত' বুলি কোৱা হয়। এই সিদ্ধান্তক বহুতেই চীনদেশৰ সুস্থিৰতাৰ বাবে এক অতি আৱশ্যকীয় সিদ্ধান্ত বুলি গ্ৰহণ কৰিছে যে—তাৰ দেখ দেখ প্ৰমাণ হ'ল—বিগত চতুৰ্দশ জাতীয় মহাসভাৰ অধিবেশনত গৃহীত 'অৰ্থ নৈতিক প্ৰগতি'ৰ বাবে সংবিধান সংশোধনৰ সিদ্ধান্ত। এই সিদ্ধান্তকয়ে দৰাচলতে 'দেঙৰ সিদ্ধান্ত'য়েই —সেই কথাত কোনো আসোঁৱাহ নাই।

আজিৰ চীনৰ নেতৃবৰ্গ-ই 'পলিট বিউৰো'ৰ সদস্যসকলৰ সৈতে মিলিত হ'বলৈ আহিয়েই প্ৰায় লগে লগেই অধিবেশনস্থলৰপৰা গুচি গৈছিল। দেঙে এই আশা প্ৰকাশ কৰিছে যে—তেওঁৰ সিদ্ধান্তক এই নতুনচাম নেতৃবৰ্গয়েই এদিন সফল কৰি তুলিব।



খ্ৰীষ্টপূৰ্ব ১৮—১২ শতিকা জুৰি চীনদেশ আছিল শ্বান্ বংশৰ শাসনাধীন। খ্ৰীষ্টপূৰ্ব তৃতীয় শতিকাত চীনদেশে এক বিৰাট সাম্ৰাজ্যৰ ৰূপ লৈছিল। সেই কালছোৱাৰ হান্-বংশীয় শাসকসকলে নিৰ্মাণ কৰাইছিল বিখ্যাত 'চীনৰ প্ৰাচীৰ'। দেশৰ সুৰক্ষাৰ বাবে নিৰ্মিত এই 'চীনৰ প্ৰাচীৰ' ১৪৫০ মাইল দীৰ্ঘ আৰু ২৫ ফুট ওখ। তৃতীয় শতিকাৰপৰা চীনত কুৱান বংশৰ ৰাজত্বৰ সূত্ৰপাত হৈছিল। তাৰ পাছত তাং বংশ (সপ্তমৰপৰা দশম শতিকা), আৰু তাৰ পাছত ছাং (১০-ৰপৰা ১৩ শতিকা)। তাৰ পাছৰপৰা ১৯১২ চনলৈ ক্বিন্ বংশৰ শাসন। তাৰ পাছত ছান য়াৎ সেনৰ অভ্যুদয় হ'ল আৰু চীনদেশক 'ৰিপাবলিক' ৰূপে ঘোষণা কৰা হ'ল। তাৰ পাছত আৰম্ভ হ'ল জেনাৰ্যাল চিয়াং কাই শ্বেকৰ কুওমিন্টাং (ন্যাশ্বন্যাল পাৰ্টি) পাৰ্টিৰ শাসন, আৰু ১৯৩৯-৪৫ চনত দ্বিতীয় বিশ্বযুদ্ধৰ অন্তত, ১৯৪৯ চনৰ ১ অক্টোবাৰৰপৰা মাও চে তুঙৰ নেতৃত্বত 'পিপল্‌চ্ ৰিপাবলিক অব্ চায়না'ৰ কমিউনিস্ট শাসন।

গাঁঠিৰ গুৱা

সীতাপুৰ নামৰ গাঁৱত টংকৰাম নতুনকৈ আহিছে। আহিছে এইখন গাঁৱত নিগাজীকৈ থাকিবলৈ। সুতত টকা খটুৱাই টংকৰামে ধনত শিতান দি থকা হৈছে। ইয়ালৈ অহাৰ আগতে টংকৰাম যিখন গাঁৱত আছিল, অতি অধিক সুত লোৱাহেতুকে সেইখন গাঁৱৰ কিছুমান যুৱকে টংকৰামক—ইমান বেছিকৈ সুত ল'লে, ঘোঁৰাৰ আগত গ'লে—তাক 'চাই ল'ব' বুলি হুমিউৱাতহে সি ইয়ালৈ আহিল তাত থকা তাৰ মাটি-ভেটি বেচি।

নতুন গাঁৱলৈ সি আহিল, কিন্তু পুৰণি অভ্যাসে তাক লগ এৰা নিদিলে। ইয়াতো সি টকা ধাৰলৈ দিয়া হ'ল ঢেৰ, আৰু সুতো লোৱা হ'ল ঢেৰ। কিন্তু তাৰ ফলত, ইমান সুত লোৱাত, কিছুমানে ইছুতা-সিছুতা নানান ছুতাৰে টংকৰ টকা এটাও পৰিশোধ নকৰা হ'ল।

টংক ফাপৰত পৰিল। গাঁৱৰে এজনক কথাটো ক'লে যে—সি কেনেকৈ লোকৰ উপকাৰ কৰিবলৈ টকা ধাৰলৈ দি বাটৰ কচু গাত ঘঁহি ল'লে। তেতিয়া এই মানুহজনে ফাপৰতপৰা টংকক ফাপৰ ওকটাবলৈ বুধি এটা দিলে। মানুহজনে টংকক ক'লে, "তোমাৰ এই ধাৰৰ টকা সুতে-মূলে উচুল কৰিব পাৰিব সেই লাংখাপুৰৰ মৰিচেহে। তুমি মৰিচৰপৰা সহায় খোজাগৈ, কাম দিব।"

মৰিচ — নামটো শুনিয়েই টংকৰ গা-মন উধাইছিল। ভাবিছিলঃ মৰিচ যাৰ নাম—কমেও মাৰীচৰ দৰে হ'ব তাৰ কাম। কিন্তু ভবা-কথা আৰু দেখা-কথাৰ

সাৰদা কলিতা

মিল নহ'ল। মৰিচক তাৰ সাধাৰণৰো সাধাৰণ যেন লাগিল।

যি কি নহওক—টংকৰামৰ কথাখিনি অলৰ-অচৰভাবে শুনি মৰিচে অলপ সময়লৈ নিমাতে থকাৰ পাছত ক'লে যে—সাতদিনৰ অন্তত সি মৰিচে সীতাপুৰলৈ যাব আৰু কিবা এটা উপায়ো দিব। এই কথা শুনি টংক গ'লগৈ। কিন্তু মৰিচৰ ধৰণ-ধাৰণ চাই কোনো উছাহ বোধ নকৰিলে।

মৰিচ কিন্তু তাৰ কথাত ৰ'ল। সাত দিনৰ অন্তত সীতাপুৰলৈ গ'ল। মৰিচক টংকৰামেই তাৰ ঘৰতে ৰাখিলে।

টংকই মৰিচক কেতবোৰ ধৰুৱাৰ নাম-ঠিকনা দিলে—যিহঁতে ধাৰৰ টকা এটাও পৰিশোধ কৰা নাই।

মৰিচে দুই-এদিনতে এই কথা জানিব পাৰিলে যে টংকৰ এই কথা ঠিক যে—ইহঁতে টংকৰ টকাখিনি দিব পৰা অৱস্থা থকা সত্ত্বেও নিদিয়াকৈ আছে আৰু এক পইচাও নিদিয়াকৈ পাৰিছে।

দুটা দিন এইবোৰ চাওঁতে-চিঁতোতে পাৰ হৈ গ'ল। তিনিদিনৰ দিনা মৰিচে টংকক লগত লৈ অন্যতম ধৰুৱা বদনৰ ঘৰলৈ গ'ল আৰু তাত কেনেকৈ কি কৰিব লাগিব সেই কথা বাটতে বুজাই কৈ মৰিচে চহৰৰ পিনে খোজ লোৱা হ'ল।

টংকৰামে বদনক ঘৰৰ বাহিৰলৈ মাতি আনিলে আৰু ক'লে যে তাৰ টকাখিনি সুতে-মূলে এতিয়াই দিব লাগে।

শুনি বদনে ৰমকি উঠি ক'লে "নিদোঁ বুলি ক'লোঁনে কি? ইমান তাগিদ দিবলৈ কি হ'লহে? তোমাৰ টকা নিদিয়াকৈ নমৰোঁ নহয়— ?"

কিন্তু টংকৰামৰ এক কথা: টকাখিনি সুতে-মূলে এতিয়াই দিব লাগিব। টংকই ক'লে, "মই কোনো টেৰি-মেৰি শুনিবলৈ অহা নাই, তুমি মাৰি নকৰা। মোৰ পাওনাখিনি এ—তিয়াই দিয়া।"

বদনে ভাবিলে : টোকোনতে ইমান, ঠেং পালে আছেই। গতিকে—। এনেকৈ ভাবি থাকোঁতে টংকৰ টংকাৰ শুনি দুই-চাৰি থিয় হ'লহি তাত। বদনে কিঞ্চিত ভয় খায়েই টংকক ঘৰৰ ভিতৰলৈ মাতি নিলে আৰু কোমল কাটি সুৰসুৰীয়াটি হৈ ক'লে, "মোৰ কথা বিচ্চাচ্ কৰা. মই টকাখিনি নিদিয়াকৈ নাথাকোঁ।"

"ঠিক আছে, এই কথা গাঁৱৰ মুখিয়াল মানুহ দুই-চাৰিৰ আগত কোৱা যদি-- এইবাৰলৈ গুচি যাম মই।" টংকই ক'লে।

ফাপৰত পৰা বদনে বাধ্যত পৰি গাঁৱৰ দুই-চাৰিক মতাই আনি তেওঁলোকৰ আগত সেই কথাৰে সৈ কাঢ়িলে।

ঠিক তেতিয়াই বদনৰ ঘৰলৈ চহৰৰপৰা মানুহ এজন আহিল। মানুহজনে বদনক নমস্কাৰ কৰি ক'লে, "বেয়া নাপাব হেৰি। চহৰত হঠাৎ হৈ-হুলস্থুল মৰা-পিটা লাগি পৰাত আপোনাৰ টকাখিনি লৈ আহোঁতে পলম হ'ল। আপুনি কোনোবা টংকৰামৰপৰা ধাৰলৈ লোৱা টকা পৰিশোধ কৰিব বুলি জৰুৰীকৈ টকা বিচাৰি যিজনক পঠিয়াইছিল, তেওঁৰপৰা সবিশেষ শুনিহে টকাখিনি লৈ হেঁপাই-কোঁপাই আহিলোঁ। এয়া লওক টকা, টংকৰামৰ টকা এতিয়াই দি দিয়ক।"



বদনে তেতিয়া বাধ্যত পৰি টংকৰ পাওনা টকা সুতে-মূলে দি দিলে।

বদনে যে চহৰৰ মহাজনক ধান বেচিবলৈ ধান পঠিয়াইছিল, সেই কথা মৰিচে আগতেই জানি লৈছিল আৰু টঙনা ঘোঁৰা যোৰা দি চহৰলৈ গৈ, ধানৰ মহাজনক কৈ, টংকৰ টকা উচুল কৰাৰ বাবে এই উপায় কৰিছিল।

এইদৰে বিভিন্ন ধৰুৱাৰ ক্ষেত্ৰত বিভিন্ন উপায় অৱলম্বন কৰি মৰিচে টংকৰ পাওনা টকাখিনিৰ সৰহভাগেই আদায় কৰি দিলে। ধৰুৱা ৰুদ্ৰৰপৰা, ৰাম-ৰাজৰপৰা, চন্দ্ৰনাথৰপৰা—যিবোৰে টংকৰ

টকা মাৰি দিব বুলি ভাবিছি'ল—সিহঁতৰপৰা সুতে-মূলে আদায় কৰি দিয়াত টংকই মৰিচলৈ শলাগৰ শৰাই আগ বঢ়ালে।

টংকৰামে মৰিচক ক'লে, "বোপাহে! তোমাৰ এই সহায় মই জীৱনতো নেপাহৰোঁ। পিছে — সদায় সদায়নো সেইবুলি তোমাক জলা-কলা কৰিব পাৰিমনেকৈ? নোৱাৰিম। গতিকে—তোমাৰ এনে সহায় যাতে সদায়েই পাওঁ—তাৰ বাবে মই উপায় এটা চিন্তিছোঁ। বেয়া নোপোৱা যদি — ক'ৰেঁই সেই নিৰুপায়ৰ উপায়ৰ কথাটো।"

মৰিচে ক'লে, "কথাটো কি—? কৈয়েই পেলাওকচোন শুনো —? নিৰুপায়ৰ উপায় মানে—?"

টংকই কলপ্‌কৰে সেপ এটা ঢুকি লৈ মৰিচক ক'লে, "কথা হ'ল—নহয় যদি অপায়, হয় নিৰুপায়ৰ উপায়। তুমি যে কেৱল বুদ্ধিমান—কথা মাত্ৰ সিমানেই নহয়। তোমাৰ উপস্থিতবুদ্ধিৰ কোনো তুলনা পাবলৈ নাই। আমাৰ লোণজনীয়ে—তাইৰ নাম যদিও লেনী, আমি তাইক লোণ বুলিয়েই মাতোঁ, তুমিও মাতিবা—, কি যেন কৈ আছিলোঁ— ওঁ, আমাৰ লোণজনীয়েও তাকেই কৈ আছিল যে—সদায় সহায় পাবলৈ হ'লে উপায় চিন্তিব লাগে, বুইছা?"

"সুবুজিলোঁ। খোলোচাকৈ কওক।" মৰিচে মকমকালে।

কাহ এটা জালকৈ মাৰি লৈ টংকৰামে মৰিচক ক'লে, "কওঁ বোলে—গাঁঠিৰ গুৱা খাই যদি গাঁঠিয়ন খুন্দাৰ বন্দৱস্ত কৰা—লোণে-মৰিচে বেয়া হ'বনে কি?"

শুনি মৰিচৰ ওঁঠযুৰি হুকহু গাহৰিৰ দৰে হৈ পৰিল।

আৰু ঘৰৰ দুৱাৰৰ আঁৰৰপৰা খিক্-খিক্কৈ এক বিচিত্ৰ শব্দ উঠিল।



প্ৰকৃত সত্য

তাহানিকালত দণ্ডকাৰণ্যৰ গা-তে লগা বাগাপুৰা নামৰ ৰাজ্যৰ মূৰ দাঙি উঠা অৰাজকতাৰ সুযোগ লৈ বাগীশ্বৰ নামৰ বাগিয়াৰ কিন্তু বলৱান মানুহ এজনে বাগাপুৰা আক্ৰমণ কৰি অধিকাৰ কৰি ৰাজ্যৰ নাম ব্যাঘ্ৰপুৰ আৰু নিজৰো নাম ব্যাঘ্ৰেশ্বৰ ৰূপে জাহিৰ কৰিছিল।

বাগি-বুগাৰে বাগিয়াৰ বাগীশ্বৰ ৰজা হৈ ব্যাঘ্ৰেশ্বৰ হোৱাৰ পাছত তাৰ ৰাজসভালৈ অহা কোনোবা এজন দৰিদ্ৰ ব্ৰাহ্মণ পণ্ডিতে ব্যাঘ্ৰেশ্বৰৰ স্তুতি-কীৰ্তন কৰি ব্যাঘ্ৰেশ্বৰক 'ভূপতি' বুলি সম্বোধন কৰিলে আৰু ব্যাঘ্ৰেশ্বৰেই মৰ্ত্যভূমিত সাক্ষাৎ ভগৱান বুলি শৰাই আগবঢ়ালে।

এতিয়াৰপৰা একালৰ এক বাগিয়াৰ বাগীশ্বৰ 'ভূপতি ব্যাঘ্ৰেশ্বৰ' হৈ উঠিল আৰু তাৰ আচাৰ-আচৰণো প্ৰকৃত বাঘৰ দৰে হিংস্ৰ হৈ উঠিল। ব্যাঘ্ৰেশ্বৰ ৰজাৰ কথাৰ ওপৰত কোনোবাই সামান্য মাত মাতিলেও ব্যাঘ্ৰেশ্বৰে সেই মানুহজনক ফাঁচিৰ জৰীত ওলোমাই দিছিল। এই 'হঠাৎ ৰজা' ব্যাঘ্ৰেশ্বৰৰ অত্যাচাৰত প্ৰজাবৰ্গ ভীত-সন্ত্ৰস্ত হৈ উঠিছিল, সকলোটিয়েই আতংকত দিন যাপিছিল।

এনেতে এদিন সেই ব্যাঘ্ৰপুৰলৈ হিমালয়ৰপৰা সাধু এজন আহিল। এই গৰাকী সাধুৱে প্ৰজাবৰ্গক প্ৰকৃত ভগৱানৰ বিষয়ে জ্ঞান দিয়াৰ কথা চোৰাংচোৱাইতৰ মুখে শুনি 'ভূপতি' ব্যাঘ্ৰেশ্বৰে সাধুজনক তৎক্ষণাৎ মতাই অনালে আৰু সাধুক ক'লে, "মই যি কওঁ, মনপুতি শুনিবা। মই হ'লোঁ ভূপতি, অৰ্থাৎ — সম্ৰাট।

শিৱকুমাৰ শৰ্মা

আমাৰ ৰাজসভাৰ পণ্ডিত সৰ্বজ্ঞচূড়ামণিয়ে বহু দিনৰ আগতেই মোক প্ৰজ পালনকাৰী সাক্ষাৎ ভগৱান বুলি কৈছে। ইপিনে—তুমি বোলে আমাৰ প্ৰজাক — অন্য কোনোবা ভগৱানৰ কথা কৈ ফুৰিছা। মোৰ ৰাজ্যৰ ৰাজানুগত প্ৰজাক এইদৰে ৰজাৰূপী ভগৱানৰ বিৰুদ্ধে বিদ্ৰোহী কৰি তোলাটো হ'ল অতি ভয়ানক অপৰাধ। আৰু—এই অপৰাধৰ দণ্ড হ'ল—মৃত্যু। মই তোমাক এতিয়াই ফাঁচিৰ জৰীত ওলোমাই দিম বুলি ভাবিছোঁ।"

ব্যাঘ্ৰেশ্বৰ ভূপতিৰ কথা শুনি সাধু-গৰাকীয়ে মুহূৰ্তকৈ হাঁহিৰে ক'লে, মহাৰাজ, ৰাজসভাত থকা সৰ্বজ্ঞচূড়ামণিক আৰু অন্যান্যকো এটা মাত্ৰ প্ৰশ্নৰ উত্তৰ সুধিম—তাৰ পাছত মোক ফাঁচি দিব।"

সাধুৰ কথাত ভূপতি ব্যাঘ্ৰেশ্বৰ সন্মত হ'ল। সাধুৱে তিনিখন তালপাতত প্ৰশ্নটো লিখি সৰ্বজ্ঞচূড়ামণি আৰু অন্য দুজন মন্ত্ৰীক দিলে : 'মাটি'ৰ অৰ্থ কি?

এগৰাকী মন্ত্ৰীয়ে লিখিলে : 'মাটিয়েই হ'ল পৃথিৱী।' আন এগৰাকী মন্ত্ৰীয়ে লিখিলে : 'মাটি পানীতকৈও প্ৰয়োজনীয় পদাৰ্থ'। সৰ্বজ্ঞচূড়ামণিয়ে লিখিলে : 'মাটি হ'ল প্ৰাণীকুলৰ অপৰিহাৰ্য্য আশ্ৰয়'।

এইবাৰ সাধুগৰাকীয়ে তালপাত তিনিওখন ভূপতি ব্যাঘ্ৰেশ্বৰৰ হাতত দি ক'লে, "মহাৰাজ! সামান্য মাটিৰ প্ৰশ্নতে তিনিগৰাকী বিজ্ঞ ব্যক্তিয়ে তিনিবিধৰ মত প্ৰকাশ কৰিলে। তেনেস্থলত—ভগৱানৰ সম্বন্ধে মাত্ৰ এজনৰ মত শুনিয়েই প্ৰকৃত সত্য উপলব্ধি কৰা সম্ভৱনে?"

মুহূৰ্তমান মৌন হৈ থকাৰ অন্তত ভূপতি ব্যাঘ্ৰেশ্বৰ সিংহাসনৰপৰা নামি আহি সেই গৰাকী সাধুৰ চৰণত পৰি ক'লে, "হে মহাত্মা! আপুনি মোৰ প্ৰকৃত জ্ঞানচক্ষু উন্মুক্ত কৰিলে। দয়া কৰি মোক চক্ষুষ্মান হ'বলৈ আশীৰ্বাদ কৰক।"

মায়া মহল

১০

[আগৰ কথা: প্ৰধান জ্যোতিষাচাৰ্য্য বাচস্পতিদেৱে ৰাজকুঁৱৰী বিস্থাৱতী অদৃশ্য অপহৃত হোৱাৰেপৰাই জগৎপতিও নোহোৱা হোৱাৰ কথাত সন্দেহৰ সুৰতে মহাৰাজক ক'লে। ইপিনে ৰাজকুঁৱৰীক বিচাৰি মহেন্দ্ৰনাথে গৈ গৈ অটব্য অৰণ্যৰ মাজত থকা মায়া-মহল পালেগৈ। তাত মহেন্দ্ৰনাথে মায়ামহলৰ প্ৰধান দুৱৰী দুধনাথৰ সহায়তাৰে মায়া-মহলৰে তিৰোতা-মহলত দুৱৰীৰ কামত লাগিল। তেতিয়াৰপৰা, এনে অভাৱিত সুবিধা পাই, মহেন্দ্ৰনাথে মায়া-মহলৰ সকলো মানুহলৈ তথা সকলো ঘটনালৈ তীক্ষ্ণভাৱে লক্ষ্য কৰিবলৈ ধৰিলে। আৰু তাৰ পাছত...]

পাছদিনা মহেন্দ্ৰনাথ সাঁজ লগাৰ কিছু আগে আগেই মায়া মহলৰ তিৰোতা মহললৈ পৰ দিবলৈ গ'ল আৰু তিৰোতা মহলৰপৰা কোনোবাজনী ওলায়নে কি, বা নতুনকৈ কোনোবাজনী সোমায়নে কি তালৈ অতি নিৰাসক্ত যেন কিন্তু তীক্ষ্ণ দৃষ্টিৰে ৰেখ কৰা হ'ল।

কিছু সময়ৰ অন্তত তিনিজনী যুৱতী সেই মহলৰপৰা ওলাই আহিল। কিন্তু সেই আদবয়সীয়া পৰিচাৰিকাজনী এই তিনিজনীৰ লগত নাছিল। এই তিনিজনী যুৱতীৰ সাজ-পাৰ আছিল হুবহু এক। গতিকে—কালি যে কোনজনীক মহেন্দ্ৰই ৰাজকুঁৱৰী হ'ব পাৰে বুলি ভাবিছিল, এতিয়া আৰু তিনিজনীৰ মাজৰপৰা সেইজনীক একোপধ্যে বিচাৰি উলিয়াব নোৱাৰিলে।

নাপাই পুনৰ টহলি ফুৰাত মন দিলে। টহলি খাকোঁতে যেতিয়া পুনৰ সেই ঠাই পালেহি, তেতিয়াহে বিৰাট গছজোপাৰ আঁৰত মহেন্দ্ৰনাথক দেখা পাই—মহেন্দ্ৰনাথক নামাতিবলৈ ইংগিত কৰি অতি চেপা কিন্তু স্পষ্ট মাতেৰে যুৱতীয়ে ক'লে, "কালিলৈ।"

আৰু এই এটি মাত্ৰ শব্দ 'কালিলৈ' বুলি কৈয়েই যুৱতীয়ে পোনে পোনেই মায়া-মহলৰ তিৰোতা-মহললৈ বুলি খৰতকে খোজ ল'লে।

সেই ৰাতি মহেন্দ্ৰনাথে কটকটীয়াকৈ পহৰা দি থাকিল। মায়া মহলৰ ওপৰ মহলাত তেতিয়াও চাকি জ্বলি আছিল। কিন্তু কালি ৰাতি যিটো কক্ষত চাকি জ্বলি আছিল, আজি সেই কক্ষটো আছিল অন্ধকাৰ। গতিকে—এই কথাটো বুজাত মহেন্দ্ৰনাথে টান নাপালে যে—এই যুৱতীক, অৰ্থাৎ ৰাজকুঁৱৰী বিদ্যাৰতীক প্ৰতি নিশা বেলেগ বেলেগ কক্ষত ৰখা হৈছে। আৰু — ৰাজকুঁৱৰীক চিনি উলিয়াব নোৱৰাকৈ তেওঁৰ লগত কি দেখাই-মেলাই কি খোজে-কাটলে—সদায় হুবহু একেই ধৰণৰ সাজ-পাৰ পিন্ধা আন দুজনীকো সদা-সৰ্বক্ষণ ৰাজকুঁৱৰীৰ লগে লগে ফুৰোৱা হৈছে।

সামান্য সময়ৰ পাছত তিনিজনীৰ মাজৰপৰা এজনী গ'লগৈ। যি দুজনী থাকিল, এজনী এজোপা গছৰ ছাঁত বহি থাকিল, আৰু আনজনী উদ্যানৰ চাৰিওফালে আলফুলে খোজ দি দি ঘূৰা-ফুৰা থাকিল।

এজোপা বিৰাট গছৰ আঁৰত থিয় হৈ মহেন্দ্ৰই টহলি ফুৰা সেই যুৱতীলৈ বহু সময় ধৰি তীক্ষ্ণ দৃষ্টিৰে একমনে চাই থকাৰ অন্তত মৰ-সাহসৰে অতি চেপা মাতেৰে কৈ উঠিল, "ৰাজকুঁৱৰী বিদ্যাৰতী!"

যুৱতীয়ে তৎমুহূৰ্তেই মূৰ দাঙি চালে। কিন্তু এই মাত কোনে দিলে তাক দেখা

অলপ সময়ৰ পাছত মায়া-মহলৰ ঘাই দুৱৰী দুধনাথ তালৈ আহিল। মহেন্দ্ৰনাথে দুধনাথক সুধিলে, "কথানো কি ককাইদেউ, আজি তুমি যে একেবাৰে ডিমৰুৰ ফুল হৈ উঠিলা দেখিছোঁ!"

"হাৰে! নক'বা আৰু—" দুধনাথে ক'লে, "আজি আন কেজনমান জুতিযী পণ্ডিত ইয়ালৈ আহিল। তেওঁলোকৰ খা-খবৰ কৰা, আমাৰ মালিকৰ ওচৰলৈ তেওঁলোকক লৈ যোৱা—মোৰ এশ এবুৰি কাম আছেই নহয়? কামৰ হেঁচাত ধোঁৱা-কোঁৱা দেখা হৈছোঁ! —ঠিক আছে, তুমি তিৰুতামহলৰ দুৱৰীয়ে কিন্তু, সাৱধানে পৰ দিবা কিন্তু, আমাৰ বদনাম নহয় যেন চাবা।" এই বুলি কৈ, দুধনাথে টঙনা ঘোঁৰা যোৱা দিলে।

পাছদিনা আবেলি পৰতে—আন দিনাতকৈ কিছু সময়ৰ আগতেই সেই যুৱতীজনী উদ্যানলৈ আহিল। আজি যুৱতীৰ লগত আছিল মাত্ৰ এজনী পৰিচাৰিকা। পৰিচাৰিকাজনী এচটা বিৰাট শিলৰ ওপৰত বহিলগৈ, আৰু আন দিনাৰ দৰেই সেই পৰমাসুন্দৰী যুৱতীয়ে উদ্যানত ঘূৰি ফুৰিবলৈ ধৰিলে।

এইদৰে টহলি থকা যুৱতীক গছৰ আঁৰত প্ৰায় নেদেখা' হৈ বৈ থকা

মহেন্দ্ৰনাথে এছেগত ক'লে, "ৰাজকুঁৱৰী, মোৰ নাম মহেন্দ্ৰ। মই আপোনাক বিচাৰি বীৰগিৰিৰপৰা আহিছোঁ।"

কিন্তু যুৱতী তাত নৰ'ল। তেওঁ পুনৰ এপাক মাৰি আহিল আৰু গছৰ আঁৰত থকা দুৱৰী মহেন্দ্ৰনাথক ক'লে, "মই বিদ্যাৱতীয়ে কৈছোঁ, যে নে কৈ য়ে ই ইয়াৰপৰা নহওক ওলাব লাগিব।"

"ৰাজকুঁৱৰী! আপোনাক কোনে ইয়ালৈ অপহৰণ কৰি লৈ আহিল— ক'বনে?" মহেন্দ্ৰনাথে সুধিলে।

"সঠিক পৰিচয় মই নাজানো। এজনী আদবয়সীয়া তিৰোতাই।"

দুধনাথৰ মাত শুনি মহেন্দ্ৰনাথ চঁক খাই উঠিল। কিন্তু মুহূৰ্ততে নিজক চম্ভালি লৈ কৈ উঠিল, "এ—নহয় ককাইদেউ, তোমাৰ কথামতেই আজি জল্‌দি জল্‌দিকৈ কামত আহিলোঁ। মই-যেতিয়া আহিলোঁ—তেতিয়া উদ্যানত কেজনীমানে ফুৰি আছিল।"

"আৰু নুফুৰিব। পণ্ডিতইঁতো যাবগৈ আৰু খুব সম্ভৱ এইকেজনীও যাবগৈ ইয়াৰপৰা। মালিকে পাল্‌কী এখন লৈ আহিবলৈ কৈছে—নিশ্চয়—সেই বিশেষ যুৱতীজনীক নিবলৈ। কিয়নো—আমাৰ মালিকে কেতিয়াও পাল্‌কীত উঠা মই দেখা নাই। যেই কি নহওক—আজিৰ ৰাতিটো খুব সাৱধান হৈ থাকিবা। আশা কৰিছোঁ, কাইলৈৰপৰা ইয়াত কোনো এজনীও নাথাকিব। কিয়নো—সেই বিশেষ যুৱতীজনীৰ কাৰণেহে হেনো আনকেজনীক লৈ অহা হৈছিল।"

দুধনাথ গুচি যোৱাৰ পাছমুহূৰ্ততেই মহেন্দ্ৰনাথ বহাৰপৰা উঠি থিয় হ'ল, আৰু ক্ষন্তেকমান ভাবি লৈ পোনে পোনেই মায়া মহলৰ সেই তিৰোতামহলৰ পিনে আগ বাঢ়িল।

তিমানতে তিৰোতা-মহলৰ চাকিবোৰ নুমোৱা হৈছিল, বিৰাট ঘাই দুৱাৰখন

"তাই আপোনাক একোৱেই কোৱা নাছিলনে?"

"প্ৰয়োজনতকৈ এটা শব্দও অধিককৈ নকয় ইহঁতে। যি কি নহওক—ইয়াৰপৰা যেনেতেনে ওলাব লাগিব।" ইমানলৈকে কৈয়েই ৰাজকুঁৱৰী বিদ্যাৱতী তাৰপৰা গুচি গ'ল আৰু মহেন্দ্ৰনাথো পুনৰ তিৰোতা-মহলৰ দুৱাৰমুখত পৰ দি থকা হ'ল আৰু কেনেকৈ যে ৰাজকুঁৱৰীক উদ্ধাৰ কৰিব সেই দুৰূহ-জটিল কথাটো একমনে ভাবি থাকিল

"তুমি—বৰকৈ ভাগৰি পৰিছা যেন লাগিছে—।"

বন্ধ হৈছিল। দুৱাৰখনত অলপমান ঠেলা মাৰি চালে মহেন্দ্ৰই। বন্ধ। ভিতৰ-ফালৰপৰা বন্ধ। সি তিৰোতামহলৰ চাৰিওফালে ঘূৰি-পকি চালে। ওহোঁ, আন কোনো দুৱাৰ নাই। পুনৰ সি প্ৰধান দুৱাৰৰ ওচৰলৈ আহিল আৰু পুনৰ এবাৰ দুৱাৰত ধৰি হেঁচিলে। আৰু—যদিও কথা বিস্ময়কৰেই—কিন্তু সেই বিৰাট দুৱাৰখন নিশৱদে খোল খাই গ'ল।

সমুখত অতি সংকীৰ্ণ এক গলিপথ দেখা গ'ল। সেই গলিপথেদিয়েই মহেন্দ্ৰ আগুৱাই গৈ গৈ খটখটিয়েদি মেকুৰী খোজেৰে ওপৰলৈ উঠি গৈ তিৰোতা মহলত ভৰিদিলে।

তাৰ পাছত মহেন্দ্ৰই ওপৰ মহলাৰ প্ৰতিটো কক্ষৰ দুৱাৰ খুলি খুলি ভিতৰ সোমাই তন্ন তন্নকৈ ৰাজকুঁৱৰীক বিচাৰিবলৈ ধৰিলে। প্ৰথম তিনিটা কোঠা আছিল একেবাৰে উদং। চতুৰ্থ কোঠাটোত তিনিজনী তিৰোতা শুই আছিল আৰু গভীৰ টোপনিত লাল-কাল দি আছিল। এন্ধাৰবো এবিধ পোহৰ নথকা নহয়। এন্ধাৰৰ সেই টিমিকি টিমিকি পোহৰত মহেন্দ্ৰনাথে তিৰোতা কেইজনীলৈ তীক্ষ্ণ দৃষ্টিৰে পৰীক্ষা কৰি চালে। কিন্তু কোনো ফল নহ'ল। ওহোঁ,



নাই। ৰাজকুঁৱৰী বিন্ধ্যাৱতী নাই ইয়াত।

আৰু অৱশেষত হতাশ মনেৰে পঞ্চম কক্ষটোৰ দুৱাৰো মহেন্দ্ৰনাথে খুলি পেলালে, হঠাৎ মহেন্দ্ৰনাথৰ হাতৰ আঙুলিত থকা আঙঠিটোৰপৰা তীব্ৰ ৰশ্মি ওলাল আৰু সেই পোহৰত তাত দুগ্ধফেননিভ শয্যাত শুই থকাজনী যে ৰাজকুঁৱৰী বিন্ধ্যাৱতী, সেই কথাত নিঃচিন্ত হৈ তেওঁৰ বাহুত স্পৰ্শ কৰা হ'ল।

চকুৰ পচাৰতে ৰাজকুঁৱৰী বিন্ধ্যাৱতী সাৰ পাই গ'ল আৰু মহেন্দ্ৰনাথক ক'লে, "তুমি—তুমি কেনেকৈনো সোমালাহি? কোনেনো তোমাক কক্ষৰ—আৰু এই

সৰুকৈ তিল আছে।”

“ওঁ, আছে। তোমাৰ বক্তব্য সঁচা। এইবাৰ মোৰ পূৰ্ণ আস্থা তথা বিশ্বাস হ'ল তোমাৰ ওপৰত। ব'লা—যাওঁ ব'লা।” ৰাজকুঁৱৰীয়ে ক'লে।

“ওঁ, ব'লক। আৰু সামান্য সময়ো নষ্ট কৰা উচিত নহ'ব ইয়াত। তিৰোতা-মহলৰ প্ৰধান দুৱাৰৰ তলাৰ চাকি মোৰ ওচৰত আছে। গতিকে—সেই ফালৰপৰা কোনো সমস্যা নাই। তথাপি—ইয়াত যে এন্ধাৰৰ গাত ভেজা দি কোন ক'ত আছে—কোৱা টান। কিন্তু এটা কথা। ইয়াৰপৰা ওলাই অটব্য অৰণ্যৰ মাজেদি যাব লাগিব। ভয় নকৰিব তো?” মহেন্দ্ৰনাথে ৰাজকুঁৱৰীক সুধিলে।

“কিয় ভয় কৰিম?” ৰাজকুঁৱৰীয়ে অধৈৰ্য্য ভাবেৰে ক'লে, “ইয়াত থাকিলেহে ভয়। ওলাই যাব পাৰিলে আৰুনো কিহলৈ ভয়? আৰু—লগত তুমি থাকিবাই নহয়? তেনেহ'লে আৰুনো ভয় কৰিম কাক? কিন্তু ইয়াত আৰু পলম নকৰাই ভাল।”

“ওঁ, ৰাজকুঁৱৰী, ঠিকেই কৈছে। আমি এতিয়াই এই অভিশপ্ত অট্টালিকা—মায়া মহল এৰি ওলাই যাব লাগিব। অযথা পলম কৰিলে বিপদে আগুৰি ধৰিব

তিৰোতা-মহলৰ দুৱাৰ খুলি দিলে?”

মহেন্দ্ৰনাথে ক'লে, “সন্যাসীপ্ৰদত্ত এই আঙঠিয়ে। সেই কথা পাছতো হ'ব। এতিয়া ইয়াৰপৰা ওলাই যাওঁ ব'লক।”

“কিন্তু—”

ৰাজকুঁৱৰীয়ে বৈ দিয়াত মহেন্দ্ৰনাথে ক'লে, “আপোনাক বিচাৰি উলিয়াই লৈ যাবলৈ মহাৰাজে মোক আদেশ দিছে। মোক যে মহাৰাজেই পঠিয়াইছে, তাৰ প্ৰমাণস্বৰূপে মহাৰাজ-মহাৰাণীৰ বাহিৰে আন কোনেও নজনা এটা বিশেষ কথা মোক মহাৰাজে কৈ দিছে। কথাটো হ'ল—আপোনাৰ সোঁ বাহুৰ ওপৰত এটা

পাৰে। মই আগে আগে গৈ থাকিম, অলপমান দূৰত্ব বজায় ৰাখি আপুনি মোৰ পিছে পিছে আহি থাকিব। খুব সাৱধানে খোজ দিব, অলপো শব্দ নুঠে যেন। একেবাৰে হাতত সাৱে ভৰিত সাৱে ওলাই যাব লাগিব। মনত ৰাখিব—ইয়াত খোজেপ্ৰতিয়েই বিপদ।" এই বুলি কৈয়েই মহেন্দ্ৰনাথ কক্ষৰ দুৱাৰখন —লাহেকৈ খুলি ওলাল। আৰু—

আৰু মহেন্দ্ৰনাথৰ পিছে পিছে এক অশৰীৰি ছায়াৰ দৰে গৈ থাকিল ৰাজকুঁৱৰী বিদ্যারতী।

এইদৰে দুয়ো তিৰোতা-মহলৰ ওপৰ মহলাৰপৰা নিৰৱে-নিঃশব্দে তল-মহলালৈ নামি গ'ল। মহেন্দ্ৰৰ নিৰ্দেশমতে ৰাজকুঁৱৰী বিদ্যারতীয়ে তেওঁৰ মখমলেৰে বনোৱা কোমল জোতাযোৰও ভৰিৰপৰা সোলোকাই হাতত লৈছিল। গৈ গৈ দুয়ো তল-মহলত থকা তিৰোতা মহলৰ সিংহ-দুৱাৰ অৰ্থাৎ এই মহলৰ প্ৰধান দুৱাৰ পালেগৈ। আৰু—আৰু কালবিলম্ব নকৰি বাঘ-বুকুৱা মহেন্দ্ৰনাথে তাৰ লগত থকা চাবিৰে সেই প্ৰকাণ্ড সিংহদ্বাৰ ,অকণো শব্দ নুঠাকৈ খুলি পেলালে।

মহেন্দ্ৰনাথেই প্ৰথমতে ওলাই আহি বাহিৰত থিয় হৈ সেই নিমজ-নিশ্ছিদ্ৰ অন্ধকাৰ ভেদি দৃষ্টিয়ে ঢুকি পায় মানে তীব্ৰ-তীক্ষ্ণ ভাবে চাৰিওফালে চাই ল'লে, আৰু তাৰ পাছত ৰাজকুঁৱৰী বিদ্যারতীৰ লৰুণুকোমল হাতত ধৰি বাহিৰলৈ উলিয়াই আনিলে।

পুনৰ সেই প্ৰকাণ্ড সিংহদ্বাৰ জপাই দিয়াৰ অন্তত মহেন্দ্ৰই খোজ বঢ়ালে।

আৰু মহেন্দ্ৰনাথৰ পিছে পিছে গৈ থাকোঁতে ৰাজকুঁৱৰীয়ে সৰু সৰুকৈ ক'লে, "আমি ভয়ানক মায়া-মহল এৰি ওলাই আহিলোঁ। কিন্তু—বীৰগিৰিলৈ যোৱাৰ পথ তুমি চিনি পোৱানে?"

[আগলৈ

বেলাশেষৰ গান

অটল প্ৰতিজ্ঞাৰে আৰব্ধ অপাৰ সাহসী ৰজা বিক্ৰমাদিত্যই গছৰ ডালত লৰক-ফৰককৈ ওলমি থকা মৃতদেহটো পুনৰ নমাই আনি কান্ধত পেলাই লৈ পুনৰ শ্মশানমুৱা হ'ল আৰু লগে লগে মৃতদেহৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা! কিবা ধৰণৰ অলৌকিক ক্ষমতা আয়ত্ত কৰিবলৈহে তুমি যুগ যুগ ধৰি এই অতি অভাৱিত কষ্টকৰ কৰ্ম কৰি আছানে? কিন্তু অলৌকিক ক্ষমতাই মানুহক সদায় যে সুখৰ যোগান দিব পাৰিবই—তাৰ কোনো অৰ্থ নাই। এই বিষয়ে—মই তোমাক বৈজয়ন্তীপুৰৰ মহাৰাজ বসন্ত-বৰ্মাৰ কথা তথা বেলাশেষৰ গানৰ কথা কওঁ শুনা। এই কাহিনীয়ে তোমাক আন একো দিব নোৱাৰিলেও তোমাৰ ভৱিষ্যৎ চিন্তাৰ সমল যোগাব।" এই বুলি কৈ বেতালে পুনৰ কৈ থাকিল:

'বেতাল-কথা'



বহু বহু কালৰ আগৰ কথা। তেতিয়া বৈজয়ন্তীপুৰৰ ৰজা আছিল বসন্তবৰ্মাদেৱ। তেওঁ যথেষ্ট বৃদ্ধ হৈ পৰিছিল, কিন্তু তেওঁৰ কোনো সন্তান নাছিল—এয়ে আছিল মহাৰাজ বসন্তবৰ্মাৰ একমাত্ৰ দুখ। তেওঁ যে এতিয়া মৃত্যুপথ যাত্ৰী, সেই কথা ভাবি মহাৰাজ বৰ উৎকণ্ঠিত।

তেওঁ সুযোগ্য মহামন্ত্ৰী স্থিৰবুদ্ধিক ক'লে, "এনে অকাল মৃত্যুৰপৰা ৰক্ষা পোৱাৰ উপায় কি?"

মহাৰাজৰ প্ৰশ্নৰ উত্তৰত মহামন্ত্ৰীয়ে কি ক'ব যে—ভাবি উলিয়াব নোৱাৰিলে।

আৰু ঠিক তেতিয়াই তাত এক বিচিত্ৰ ঘটনা ঘটিল। হঠাৎ আকাশৰপৰা এটা ফুল তাত পৰিলহি। ফুলটো দেখাত আছিল সোণৰ দৰে উজ্জ্বল।

মহাৰাজে ফুলটো বুটলি ল'লে আৰু ক'লে, "মহামন্ত্ৰী! এই ফুলৰ সুগন্ধৰ বৰ্ণনা কৰাৰ ভাষা মোৰ অজ্ঞাত।"

"মহাৰাজ! আকাশৰপৰা পতিত এই ফুলৰ বিষয়ে আমাৰ ৰাজপুৰোহিতক সুধিব লাগিব।" মহামন্ত্ৰীয়ে ক'লে।

পাছদিনা, ৰাজপুৰোহিতে বিভিন্ন ধৰণে গণনাদি কৰাৰ অন্তত এই ফুলৰ মাহাত্ম্যৰ বৰ্ণন কৰি ক'লে, "মহাৰাজ! এই পুষ্প অমৰলোকৰপৰা আপোনালৈ পঠোৱা হৈছে। এই পুষ্পৰ নাম হ'ল অমৰপুষ্প। এই পুষ্প অমৃতবৰ্দ্ধক। বৈদ্য শাস্ত্ৰ মতে—এই পুষ্পধাৰীলৈ যদি কোনোবাই বা কোনোবাজনীয়ে তাৰ বা তাইৰ সমগ্ৰ যৌৱন সমৰ্পণ কৰে, তেনেহ'লে—যেইকোনো বৃদ্ধয়ো পুনৰ যৌৱনপ্ৰাপ্ত হ'ব। অমৃতবৰ্দ্ধিনী এই পুষ্পই মাত্ৰ এজনকহে অনন্ত যৌৱন দিব।"

শুনি মহাৰাজৰ মনত উজান-ভাটি লাগিল। মহাৰাজে মহামন্ত্ৰীক ক'লে, "মহামন্ত্ৰী! আপুনি সমগ্ৰ ৰাজ্যত ঘোষণা কৰি দিয়ক যে—কোনোবাই তাৰ যৌৱন যদি মোলৈ সমৰ্পণ কৰে—তেনেহ'লে

সেই ব্যক্তিক অৰ্দ্ধ ৰাজ্যৰ ৰাজত্ব, আৰু অন্যান্য উপহাৰো প্ৰদান কৰা হ'ব।"

মহামন্ত্ৰীৰ স্থিৰ বুদ্ধিয়ে মহাৰাজৰ সেই আদেশ মতে ঘোষণা কৰিলে। কিন্তু এই ঘোষণাৰে কোনো ফল ন'হল। কোনো এজনেও তাৰ যৌৱন মহাৰাজক দিবলৈ আগুৱাই নাছিল।

মহাৰাজৰ মনমৰা অৱস্থালৈ চাই মহামন্ত্ৰীৰো বেয়া লাগি গ'ল। তেওঁ লগত কেইজনমান চিপাহীৰে সৈতে ওলাল—কিবা প্ৰকাৰে কাৰোবাক লোভৰ বশৱৰ্তী কৰি ফুচুলাই হ'লেও কেনেবাকৈ লৈ আহি মহাৰাজৰ মনোবাঞ্ছা পূৰাব।

গৈ গৈ—এঠাইত মহামন্ত্ৰীয়ে দুজন মগনিয়াৰক দেখা পাই তাত ৰ'ল। মগনিয়াৰ দুজনৰ মাজত এজন অন্ধ আৰু আন জন হ'ল চৰ্মৰোগগ্ৰস্ত। বয়স অৱশ্যে দুয়োজনৰে কম, হয়তো বৰবেছি পঁচিছৰ ওচৰা-উচৰি হ'ব।

মহামন্ত্ৰী স্থিৰবুদ্ধি মগনিয়াৰ দুজনৰ কাষ চাপিল আৰু সিহঁতক ক'লে, "আজিৰপৰা এসপ্তাহমানৰ আগৰেপৰাই মহাৰাজে যি ঘোষণা কৰালে — তোমালোকে শুনা নাইনে বাৰু? যদি নাই শুনা—এতিয়া শুনা। যিজনে নিজৰ যৌৱন মহাৰাজক দিব, সেইজনক মহাৰাজে আধা ৰাজ্য,

আৰু লগতে আন বহু ৰকমৰ উপহাৰ-পুৰস্কাৰো দিব।"

কিন্তু মন্ত্ৰীমহোদয়ৰ কথা শুনি মগনিয়াৰ দুটাই সামান্য উৎসাহও অনুভৱ কৰাৰ লা-লক্ষণ নেদেখুৱালে। মন্ত্ৰীমহোদয়ে তিতা-কেঁহা লাগি সিহঁত দুটাক ক'লে, "কি অ'—? আধা ৰাজ্যৰ ৰজা হোৱাতো তহঁতৰ নোপোচাবনে কি?"

অন্ধ মগনিয়াৰটোৱে ক'লে, "হুজুৰ! মই হ'লোঁ অন্ধ। অন্ধৰ কিবা ৰাতি কিবা দিন। আধা—বা পূৰা ৰাজ্যেৰেও বা মই কৰিম দেউতা ঈশ্বৰ?"

আন মগনিয়াৰটোৱে কৈ উঠিল,

"মালিক! মই যদি নিজৰ যৌৱন দি ৰাজ্য আৰু ৰাজত্ব পাই বুঢ়া হওঁ—মোৰনো কিডাল লাভ? সেই ৰাজত্ব আৰু নৰকৰ ৰাজত্ব একেই হ'ব যেন পাওঁ।"

কথাখিনি মহাৰাজক ক'বৰ মনেৰে মহামন্ত্ৰী স্থিৰবুদ্ধি পোনে পোনেই ৰাজসভালৈ গৈ তাত কুখ্যাত ডকাইত নৰসিংহক দেখা পালে। নৰসিংহৰ বয়সো বিছ-বাইছতকৈ বেছি নহ'ব।

তেতিয়া নৰসিংহই মহাৰাজক কৈ আছিল, "মহাৰাজ! মই ৰাজধানীৰ চোৰাংকাৰবাৰী কিছুমানৰহে ধন-দৌলতৰ তাৰ লাথৰ কৰোঁ, আৰু সেই ধন দুখীয়া-হঁতৰ মাজত বিলাই দিওঁ।"

নৰসিংহৰ এই নীতিপালনৰ কথাত মহাৰাজ অতি প্ৰীত হ'ল। তথাপি—সি যিহেতু এটা ডকাইত, দণ্ড বহিবই লাগে।

মহাৰাজৰ দোমন-দোহস্ত ভাবলৈ লক্ষ্য কৰি মহামন্ত্ৰী স্থিৰবুদ্ধিয়ে মহাৰাজক গুন-গুনকৈ ক'লেগৈ, "মহাৰাজ, মই বহু ঠাই ভ্ৰমিও যৌৱন দানকাৰী কোনো এটাকো নাপালোঁ। এই ডকাইতটোক দণ্ড দিয়াৰ পৰিৱৰ্তে যদি— ।"

মহামন্ত্ৰীৰ কথাৰ খোৰতে বুজ লৈ মহাৰাজে নৰসিংহ ডকাইতক ক'লে, "নৰসিংহ, তোমাৰ অপৰাধৰ শাস্তি হ'ল —ফাঁচি। কিন্তু… "

বাকীখিনি ক'বলৈ মহামন্ত্ৰীয়ে মুখ



মেলাৰ লগে লগেই নৰসিংহই হাত দাঙি মহামন্ত্ৰীক ৰখাই কৈ উঠিল, "মই মহাৰাজলৈ মোৰ যৌৱন সমৰ্পো যদি—মোক মৃত্যুদণ্ডৰপৰা ৰেহাই দিয়া হ'ব। নহয় জানো ?

ডকাইতটোৰ বুদ্ধিৰ শলাগ নলৈ নোৱাৰিলে মহামন্ত্ৰীয়ে। ক'লে, "তুমি দেখোন মোৰ মনৰ কথাখিনি একেবাৰে হুবহু কৈ দিলা। যি কি নহওক—ৰাজী হ'লে তোমাৰ ভাল হ'ব। কোৱা, তুমি—ৰাজী ?"

এই কথা শুনি নৰসিংহ ডকাইতে হাঃ হাঃকৈ হাঁহি উঠিল আৰু ক'লে, "মহাৰাজে যদি মোক এনেয়ে মাফ কৰিলেহেঁতেন তেওঁৰ ওচৰত মই ওৰে জীৱনলৈ ধৰুৱা হৈ থাকিলোহেঁতেন। যদি আইনৰ মৰ্য্যাদা ৰক্ষাৰ বাবে তেওঁ মোক দণ্ড দিলেহেঁতেন—তেওঁৰ ইমানদাৰীৰ মই যথেষ্ট গুণগান নিশ্চয় কৰিলোহেঁতেন। কিন্তু এই দুটাৰ এটাও নোহোৱাত মোৰ এই মূল্যৱান যৌৱন মহাৰজাক দান কৰাৰ যি সংকল্প মই কৰিছিলোঁ, যাৰ কাৰণে মই নিজেই চেষ্টা কৰি ৰজাৰ প্ৰহৰী বিলাকৰ হাতত ধৰা দিছিলোঁ, এতিয়া মোৰ সেই মত সলনি হ'ল। বিপদগ্ৰস্ত লোকক ভীতি প্ৰদৰ্শনেৰে সেও কৰি কাৰ্য্যোদ্ধাৰ কৰাৰ চেষ্টা অতি নীচ চেষ্টা।"



লেতেৰা চোৰ-ডকাইত এটাৰ মুখে এই কথা শুনি খং উঠি জমদগ্নিহেন হৈ মহাৰাজে ক'লে, "ঠিক আছে, তোমাৰ প্ৰাপ্য মই দিম, এতিয়াই ফাঁচিৰ জৰীত ওলোমোৱাৰ বন্দৱস্ত কৰিম ৰ'বা।"

মহাৰাজৰ কথাত নৰসিংহ অলপো বিচলিত নহ'ল। ৰাজসিংহই ক'লে, "যদি এয়ে ন্যায় কাম—তাকে কৰিব। কিন্তু জানি থওক, মৃত্যুদণ্ডৰ ভয়ত আপোনাৰ মহামন্ত্ৰীৰ প্ৰস্তাৱ মানি নলওঁ মই। আপোনাৰ এই আশা দুৰাশা !"

চোৰ-ডকাইতেও যি মন যায় তাকে কোৱাত অপমান পাই মহাৰাজৰ মুখ ৰঙা পৰিল। তেওঁ কিছু সময়লৈ সিংহাসনত বহি থাকিল। তাৰ পাছত, প্ৰশান্তচিত্ত হৈ, সিংহাসনৰপৰা নামি আহি তেওঁ ৰামসিংহৰ কাষ চাপি তাক শান্ত কৰেৰেঠ ক'লে, "নৰসিংহ, মোৰ দৃষ্টিৰ কুঁৱলী গুচাই তুমিয়েই মোৰ জ্ঞান-দৃষ্টিক উন্মোচিত কৰি দিলা। নৰসিংহ! তুমি হ'লা এগৰাকী মহাঋষি! তোমাৰ সৈতে মোৰ এই সাক্ষাৎকাৰ মহাপুণ্যৰ ফলত অৰ্জিত হৈছে। মোৰ কোনো পুত্ৰসন্তান নাই, এতেকে তোমাকেই এই সিংহাসনৰ উত্তৰাধিকাৰী পাতি সন্যাস গ্ৰহণ কৰি 'মই ৰাজ্য এৰি মহাপ্ৰস্থানৰ পথলৈ প্ৰস্থান কৰিম বুলি স্থিৰ কৰিছোঁ।"

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক পুনৰ ক'লে, "হে ৰাজন্! বৃদ্ধ বয়সত মহাৰাজৰ মতিভ্ৰম হোৱা যেন লাগিছিল। নহয়নে বাৰু? নহ'লে—চোৰ-ডকাইতকো কোনোবাই মহাঋষি বুলি কয়নে? চোৰকং ৰজা কৰাৰ, সিংহাসনৰ উত্তৰাধিকাৰী কৰাৰ দৰে মূৰ্খতা কোনোবা মানুহে কৰেনে? কেৱল সিমানেই নহয়—নিজেও সন্যাস গ্ৰহণ কৰিলে তেওঁ। এইবোৰ হ'ল দুৰ্বলচিত বুঢ়া ৰজাৰ বিভ্ৰম তথা দেখ দেখ মূৰ্খতা। কিন্তু—কিয় এনেহেন মূৰ্খতা মহাৰাজে

কৰিছিল? এই প্ৰশ্নৰ উত্তৰ মোক লাগে। সঠিককৈ জানিও তুমি যদি কিবা কাৰণত মোক সদুত্তৰ নিদিয়া, তোমাৰ মূৰ ফাটি যে চাৰিফাল হ'ব— মোৰ এই কথা ধ্ৰুব। এই কথাৰ অলপো ইফাল-সিফাল নহ'ব।"

*

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই বেতালক ক'লে, "শুনা, মহাৰাজ বসন্তবৰ্মা যে সৌন্দৰ্য্যপিপাসু জীৱন-পূজাৰী আছিল—সেই কথা অতি স্পষ্ট। তেওঁৰ এই জীৱনবোধ তথা সৌন্দৰ্য্যবোধ নিশ্চয় গুণৰ কথা। সমগ্ৰ সৃষ্টিয়েই জৈৱ প্ৰকৃতিৰ ধৰ্ম অনুসাৰে চলি থাকে—এয়া হ'ল এক তথ্য। কিন্তু যৌৱনৰ প্ৰলোভনত পৰি মহাৰাজ বসন্তবৰ্মাই এই তথ্যৰ বিকৃতি সাধনত ব্ৰতী হৈছিল যে—ক্ষণকালৰ উন্মাদনাৰে যে ক্ষুধিত হৈ পৰিছিল যৌৱন লাভলৈ, সেই কথাও অতি সত্য। কিন্তু—প্ৰাণৰ মায়া পৰিত্যাগ কৰি ডকাইত নৰসিংহই নিৰ্ভয়ে-নিডৰে মহাৰাজক যেতিয়া যুক্তিপূৰ্ণভাবে ককৰ্থিলে তেতিয়া মহাৰাজৰ জ্ঞানোদয় হ'ল। সাহস, সংস্কাৰ আৰু ত্যাগৰ গুণ থকা ডকাইত নৰসিংহৰ মাজত মহাৰাজে মহাঋষিৰ গুণ বিচাৰি পালে আৰু যোগ্য হাততে ৰাজ্যভাৰ অৰ্পিলে বুলি ক'ব পাৰি। তেতিয়াহে মহাৰাজে জীৱনৰ বেলাশেষ গান শুনিবলৈ পালে আৰু জীৱনৰ বাকী কালছোৱা শান্তিৰে তথা স্বস্তিৰে অতিবাহিত কৰিবলৈ মহাপ্ৰস্থানৰ পথলৈ খোজ ল'বলৈ সংকল্প কৰি সন্ন্যাস গ্ৰহণ কৰিলে।"

ৰজা বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ সাউতকৰে পুনৰ সেই গছলৈ উভতি গ'ল আৰু শ'টো সেই আওপুৰণি গছজোপাৰ প্ৰকাণ্ড ডালত পুনৰ ওলোমাই থোৱা হ'ল। [কল্পিত

বিচিত্ৰ বিচাৰ

নামবৰ গাঁৱৰ সৰু মহাজনে টানে মংস্থলে টকা ধাৰলৈ দিছিল,কিন্তু টেঁাটোলা ভৰাবলৈ সুতো লৈছিল বৰ বেছিকৈ। তথাপি—সৰুমহাজনে যেইকোনো মানুহকে বিনা ওজৰ-আপত্তিৰে ধাৰ-উধাৰ দিছিল। তাৰ ফলত তাৰ অৱস্থা দিনে দিনে দোপে দোপে টনকিয়াল হৈ উঠিছিল।

সৰু মহাজনৰ এনেহেন অভাৱিত উন্নতিলৈ চাই গাঁৱৰ বৰ মহাজনে ভাবিলে : ইয়াক যেনেতেনে ভৰিৰ তলুৱাৰ তলত পেলোৱাহে কথা, নহ'লে এই জীৱনেই বৃথা। ভাবি ভাবি বৰ মহাজন কাষ চাপিলগৈ গাঁৱৰ গাঁওবুঢ়াৰ। গাঁওবুঢ়াক সৰু মহাজনৰ বিশদ বিবৰণ দিয়াৰ অন্তত বৰ মহাজনে ক'লে যে—গাঁৱৰ দুখীয়া ৰাইজৰ কথা ভাবিহে সৰু মহাজনৰ সুতৰ কাৰবাৰ বন্ধ কৰিব লাগে। শুনি—গাঁওবুঢ়াই হাঁহো হাঁহোহে কৰিলে, হোঁ—হাঁ একো নকৰিলে। কিয়নো—সৰু মহাজনে গাঁওবুঢ়াৰ টেঁাটোলা সদায়েই ভৰাইছিল।

তেতিয়া বৰ মহাজন ৰজাৰ কাষ চাপিল। সকলো কথা শুনাৰ অন্তত মহাৰাজে বৰ মহাজনক ক'লে, "ঠিক আছে, তোমালোকৰ গাঁৱত পঢ়াশালি এখন পাভি দিয়া হ'ব।"

এই কথা শুনি বৰ মহাজনে আচৰিত হৈ কৈ উঠিল, "পঢ়াশালি—কেলেইনো লাগিছে, মহাৰাজ? মই তো—"

মহাৰাজে মৃদুকৈ হাঁহিৰে বৰ মহাজনক ৰখাই ক'লে,"শুনা মই যদি সৰু মহাজনৰ সুতৰ কাৰবাৰ বন্ধ কৰোঁ, আন কোনোবা কণমহাজনে তাত ন-কৈ শিপা মেলিবহি। আচল কথা হ'ল—এই বিষয়ে ৰাইজক শিক্ষিত কৰি তোলাটোহে। টকা যে একেবাৰে ধাৰলৈ ল'ব নালাগে—ধাৰ ল'ল যে ধৰুৱা, ধাৰৰ কাযেদি-নগ'লে যে বৰুৱা হ'ব পাৰি—তেনেবোৰ কথা বুজাবলৈ লোকশিক্ষাহে সুতৰ বিৰুদ্ধে তথা ধাৰৰ মহাজনইতৰ বিৰুদ্ধে একমাত্ৰ দৰব। সাপৰ যেনেকৈ সৰু-বৰ নাই, সুতখোৰবো নাই। গতিকে, পঢ়াশালি পাতিলেহে এদিন ৰাইজ উঠিব।"

মহাৰাজৰ বিচিত্ৰ বিচাৰৰ ফলত বৰ মহাজন তাত আৰু ক্ষন্তেকমানো নৰ'ল।

চান্দমামা
ক্রোড়পত্র-৫১

ভাৰতৰ পশু-পক্ষী।

টেকটেকী

এই টেকটেকী তথা বৰ কথকী চৰাই ৰাতিৰ পৰতে চুপচাপ। কিন্তু 'বাব্‌লাৰ' নামৰ টেকটেকীবোৰ ৰাতিৰ পৰতেহে সজাগ। কেৱল সজাগেই নহয়, সবাক হৈ উঠে। এইবিধ টেকটেকীয়ে—'বাব্‌লাৰে' ৰাতিৰ পৰতে গগনফলা চিঞৰ মাৰি নিজৰ নিৰাপত্তাক সুৰক্ষিত কৰে বুলি ধাৰণা কৰা হয়।

ইহঁত সদায়েই জাকপাতি থাকে আৰু লগে-ভাগে আহাৰ অন্বেষণ কৰে। কেৱল আহাৰৰ কথাতে নহয়, কণীও লগে-ভাগেই দিয়ে, আৰু একে ঠাইতে দিয়ে, উমনিতো পৰে লগে-ভাগেই, আৰু পোৱাবিলাকক তুলি-তালি ডাঙৰ-দীঘল কৰেও একেলগে। ইটোৰ ডেউকা সিটোৱে চাপা কৰি দিয়ে। যদি বাব লাৰক কোনোবাই ধৰি সজাৰ ভিতৰত ভৰাই থোৱা হয়—তেনেহ'লে ভালেমান বাব্‌লাৰ সজাৰ চাৰিওফালে গোট খাবহি। কিন্তু—সজাত থকাটোক উলিয়াই নিবলৈ নহয়, সজাত থকাটোৰ ওচৰলৈ যাবলৈহে।

বনৰীয়া বাব্‌লাৰ দীঘলে ১০ ইঞ্চ্‌মান (২৫ ছে. মি.)। গাৰ বৰণ অতি কোমল, তলৰ ফালে পাতল হালধীয়া, চকুৰ পুতলীও পাতল হালধীয়া আৰু বগা।

ইহঁত অতি উচ্চতালৈ উৰি থকা দেখা নাযায়। সৰু সৰু গছ-গছনিত ৰাহ সাজে। উত্তৰ ভাৰতত দৃশ্যমান বাব্‌লাৰতকৈ দক্ষিণ ভাৰতৰ বাব্‌লাৰ আকাৰত যথেষ্ট ডাঙৰ। বনত বাব্‌লাৰ টেকটেকী আহিলে বন-জংগল টে টটে টনি-টেকটেকনিৰে আলোড়িত হৈ উঠে।

সাহিত্যৰ দৰ্পণত আজিৰ ভাৰত

কোনোবা বিশেষ-বিপিষ্ট বক্তব্য বিনেও উপন্যাস সৃষ্টি হয়নে? কিয় নহয়? বিখ্যাত মালায়ালম্-ভাষী লেখক ৱাইকম্ মুহম্মদ বছিৰ-ৰচিত উপন্যাস 'পাতুম্ময়ুডে আড়ু'খন পঢ়িলেই কথাটো কিজানি আপুনিও মানি ল'ব।

এইখন উপন্যাসৰ কাহিনীত স্বয়ং লেখকেই হ'ল নায়ক, যিজনে উপন্যাসৰ কাহিনীভাগ নিজমুখেৰে আমাক শুনাইছে। বহু বছৰ ধৰি অৰঙে-দৰঙে ঘুৰি ফুৰাৰ

ৱাইকম্ মহম্মদ বছিৰৰ 'পাতুম্ময়ুডে আড়ু'



অন্তত লেখক তেওঁৰ জীৱনৰ বাকীছোৱা কাল গাঁৱৰ ঘৰতে অতিবাহিত কৰাৰ মনেৰে ঘৰলৈ উভতি আহিল। তিমানতে তেওঁ কেইবাখনো উপন্যাস লিখি যথেষ্ট খ্যাতি পোৱা হৈছে।

তেওঁলোকৰ ঘৰটো তেনেই সাধাৰণ আৰু সৰু ঘৰ এটা আৰু তাতেই গোটেইখন পৰিয়াল খেপাথেপিকৈ থাকে। লেখকৰ নিজৰ ল'ৰা ছোৱালী-পৰিবাৰ, মা, ভায়েক দুজন, সিহঁত দুটাৰ পৰিবাৰ আৰু ল'ৰা-ছোৱালী, ভনীয়েক আৰু তাইৰ গিৰিয়েক, আৰু তাৰো উপৰি টিকে-চুলিয়ে লগ লগাই আনিবলৈ ওলোৱা ঘুমলীয়া ভায়েকটোৰ সিজনী—কিমান যে। এইবোৰৰ লগত লগ লাগিছেহি এন্দুৰ-নিগণিবোৰ আৰু মেকুৰী-বাহিনী, কুকুৰাৰ সৰুসুৰা সমদল এটি। এইবোৰে ঘৰখনক সদা-সৰ্বক্ষণেই গৰম কৰি ৰাখে। আৰু আছে—ভূতৰ ওপৰত দানহৰ দৰে—ছাগলী এজনী। তাই য'তে যেনেকৈ মন যায় ঘুৰি ফুৰে, যি মন যায় তাকে চোবাই খাস্তাং কৰে।

এদিন লেখকে এই ছাগলীজনীক তেওঁৰ তক্তাপোচখনৰ ওপৰত থিয় হৈ তেওঁৰে দুখন কিতাপ আৰামৰে চোবাই খাই থকা দেখা পালে। দেখি—লেখক চঁক খাই উঠিল

হয়, কিন্তু তথাপি তেওঁ ছাগলীজনীক নেখেদিলে। ছাগলীজনীৰ ভোক কিন্তু কিতাপ দুখন খায়েই নপলাল, এইবাৰ লেখকৰ বিছনাৰ চাদৰখনো চোবাবলৈ লোৱাত এইবাৰ লেখকেও আৰু পৰমহংস হৈ থাকিব নোৱৰা হ'ল। এই উপন্যাসত ছাগলীজনীও এক বিশেষ চৰিত্ৰ! ছাগলীজনী হ'ল সেইখন গাঁৱতে থকা লেখকৰ ভনীয়েক পাতুম্মাৰ ছাগলী। উপন্যাসত এই ছাগলীজনীয়ে বিচিত্ৰ বিচিত্ৰ পৰিস্থিতিৰ সৃষ্টি কৰা পৰিলক্ষিত হয়। যেনে— এদিন ছাগলীজনীয়ে এটা কলহৰ ভিতৰলৈ তাইৰ মূৰটো কেনেবাকৈ সুমুৱাই দিলে। কিন্তু তাই নিৰ্বিকাৰ। যেনিবা—কলহৰ ভিতৰৰপৰা তাইৰ মূৰটো উলিয়াই অনাৰ দায়িত্ব আনৰহে, কলহটো ভাঙি পেলাই তাইক এনে অথন্তৰীয়া অৱস্থাৰপৰা গিৰিহঁতেহে ৰেহাই দিব লাগে।

নিৰিবিঘিনিৰে লেখা-মেলা কৰাৰ মনেৰে লেখকে গাঁৱৰ ঘৰ পাইছিলহি, কিন্তু তেওঁৰ সেই আশা নিৰাশালৈ পৰ্য্যৱসিত হ'ল। মাক, ভনীয়েক, বন্ধু-বান্ধৱ—সকলোকে তেওঁৰপৰা আৰ্থিক সহায় লাগে। কিন্তু কথাটো আন কোনোবাই নজনাটোও এওঁলোকক লাগে! পাতুম্মাৰ মনৰ আশা, ছাগলীজনীয়ে শীঘ্ৰেই পোৱালি দিব, আৰু তাই ঢেৰ পইচা-পাতি পাব। পোৱালি—দিলেও ছাগলীজনীয়ে। ধকধকীয়া বগা বৰণৰ পোৱালি। কিন্তু পাতুম্মাৰ আত্মীয়া এগৰাকীয়ে ছাগলীজনীৰ গাখীৰ চুৰি কৰে।

এই চুটি উপন্যাসখনত লেখকৰ সৰুকালৰ কথা, বন্ধু-বান্ধৱৰ বিচিত্ৰ কথা আদি সন্নিৱিষ্ট হৈছে। তেওঁৰ আত্মীয় এজনে—তেওঁক জোখে-জোখাৰে টকা-পইচা নিদিলে তেওঁ মিলিটাৰিত নাম লিখাবগৈ বুলি সদায় হুমিয়ায়। এবাৰ গাঁৱৰে পাঠশালাৰ ছোৱালীহঁতে লেখকৰ পিনে আচৰিত দৃষ্টি মেলি চাই চাই কিবাকিবি কৈ থকাৰ দৃশ্য দেখি লেখকে বৰ ভাল পালে। কিন্তু অনতিপলমে বিমৰিষ ভাবে এই কথাটো আৱিষ্কাৰ কৰিলে যে—ছোৱালীবিলাকে লেখকক নহয়, তেওঁৰ পিছফালে থকা ফলৰ গছ এজোপালৈহে তেনেকৈ চাই আছিল।

বাইকম্ মুহম্মদ বছিৰ'হ'ল সমকালীন মালয়ালী কথা-সাহিত্যৰ অন্যতম বলিষ্ঠ দিগ্-দৰ্শক। ১৯১০ চনত এই প্ৰতিভাৱান লেখকগৰাকী জন্মগ্ৰহণ কৰিছিল।

আমি জানোনে ?

১. দিল্লী আমাৰ দেশৰ ৰাজধানী কেতিয়াৰপৰা ? আগতে আমাৰ ৰাজধানী ক'ত আছিল।
২. ৰোডেখিয়াৰ নতুন নাম কি ?
৩. সুপ্ৰাচীন খেলা কোন খেলা ?
৪. ভাৰতৰ জাতীয় কংগ্ৰেছৰ প্ৰথমগৰাকী অধ্যক্ষা কোন আছিল ?
৫. ৰোবট সৰ্বপ্ৰথমে কেতিয়া নিৰ্মিত হৈছিল ?
৬. 'জয় হিন্দ' ধ্বনি কোনে সৃষ্টি কৰিছিল ?
৭. ভাৰতৰ উপৰাষ্ট্ৰপতিৰ অন্য পদৰ নাম কি ?
৮. জেব্ৰাৰ বিশেষত্ব কি ?
৯. 'ৰাজতৰংগিণী'য়ে কোন ৰজাৰ কথা বিবৃত কৰে ?
১০. ভাৰতত পোনপ্ৰথমে কেতিয়াৰপৰা ডাক-টিকেট প্ৰচলিত হৈছিল ?
১১. কোন চ'কোলেট-প্ৰতিষ্ঠানে সম্পূৰ্ণ গাঁও এখন সাজিছিল ?
১২. ইতালিদেশৰ জাতীয় ফুলৰ নাম ?
১৩. 'গীত-গোবিন্দ'ৰ লেখক কোন ?
১৪. 'ডাজ ক্যাপিট্যাল' হ'ল পৃথিৱীৰ অন্যতম উল্লেখযোগ্য গ্ৰন্থ। লেখকৰ নাম ?
১৫. আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ বাসস্থান 'হোৱাইট হাউছ'ক বগা ৰঙেৰে বোলোৱা হৈছিল কিয় ?

উত্তৰ

১. ১৯১১ চনত। কলিকতাত।
২. জিম্বাব'ৱে।
৩. পোলো খেলা (প্ৰথম খৃষ্টাব্দত পাৰস্যত এই খেলা প্ৰচলিত আছিল)।
৪. ডা° অ্যানি বেশ্বান্ত্।
৫. ১৯৬২ চনত আমেৰিকাৰ ইউনিমেশ্যন নামৰ সন্থাই।
৬. নেতাজী সুভাষচন্দ্ৰ বসু।
৭. ৰাজ্যসভাৰ অধ্যক্ষ পদ।
৮. দুটা জেব্ৰাৰ গা-ৰ দাগবোৰ কেতিয়াও এক নহয়।
৯. কাশ্মীৰৰ ৰাজন্যবৰ্গৰ ইতিহাস।
১০. ১৮৫২ চনত ;
১১. ক্যাডবেৰি-বোৰ্নবিল্লে।
১২. কুই।
১৩. জয়দেৱ।
১৪. কাৰ্ল মাৰ্ক্স।
১৫. অগ্নিকাণ্ডজনিত চিন নোহোৱা কৰিবলৈ।

অনন্তৰ অনুতাপ

গাঁৰৰ নাম একতাপুৰ। একতাপুৰৰ অন্যতম সমৃদ্ধিশালী মানুহজন হ'ল অনন্ত। অনন্তৰ মাত্র একেটি সন্তান, নাম তাইৰ অনুপা।

অনুপা আছিল অপাৰ সৌন্দৰ্য্যৱতী, সৌন্দৰ্য্যৰ কাৰণে, আৰু সমৃদ্ধিৰ কাৰণেও বহু পৰিয়ালৰেপৰাই অনুপাক বোৱাৰী হিচাপে নিবলৈ চেষ্টা চলি থাকিল।

কিন্তু অনুপাৰ মনৰ ইচ্ছা আছিল আন। তাইৰ দেউতাকৰ ওচৰত গোমস্তা হিচাপে কাম কৰা অলকক তাই ভাল পাইছিল। তাইৰ ইচ্ছা—অলকক তাই বিয়া কৰাব। অলক দেখাই-মেলাই বেয়া নহয়, ভালেই। অলক আছিল সহজ-সৰল, ভদ্ৰ আৰু সত্যবাদী। মিছা কথালৈ তাৰ ইমান যে ঘৃণা!

অনন্তই যেতিয়া অনুপাৰ কাৰণে দৰা বিচৰাত লাগিল, অনুপাই তেতিয়া পলম নকৰি কথাটো দেউতাককৈয়েই পেলালে।

শুনি—দেউতাক অনন্তই মাত-বোলকে কৰিব নোৱৰা হৈ পৰিল। কিন্তু তাৰ পাছত অনন্তই জীয়েকক গালিৰে তেভূত কৰিলে। তলতীয়া এটাক — সামান্য গোমস্তা এটাক জোঁৱাই হিচাপে ল'ব মান্য-গণ্য অনন্তই? সেই দিনাই অনন্তই অলকক কামৰপৰা খেদিলে।

এই কথাত অনুপাৰ মাকে অত্যন্ত বেয়া পালে তেওঁৰ গিৰিয়েকক। জীয়েকৰ সিদ্ধান্তত তেওঁ পূৰ্ণ সমৰ্থন দিলে। তেতিয়াহে অনন্তই বুজি পালে যে ক'ৰ পানী ক'লৈ যায়। অনন্ত তৎক্ষণাৎ ওলাল কিন্তু অলকৰ ভু-ভা নাপালে।

তাৰ পাছত ছবছৰমান পাৰ হ'ল।

অনুপাৰ বিয়া অনন্তই পাতিব নোৱাৰিলে। কিয়নো — অনুপাৰ এক কথাঃ বিয়া কৰালে অলককে বিয়া কৰাম। কথা যে ইমানদূৰলৈ শিপাব — অনন্তই কল্পনাও কৰিব পৰা নাছিল। অনন্ত অতিপাত চিন্তাত আৰু স্বাস্থ্যহীন হৈ পৰিল।

তেতিয়া অনন্তৰ পৰিবাৰে—অনুপাৰ মাকে অনুপাক নানান ধৰণে বুজাই-বুজনি দি কোনোমতে অনুপাক ৰাজী কৰালে বিয়ালৈ। আৰু—অৱস্থাই পুনৰ বেয়ালৈ ঢাল লোৱাৰ আগতেই অনন্তই জীয়েকৰ কাৰণে যোগ্য দৰা বিচাৰি ওলাল।

এক দূৰণিবটীয়া গাঁৱত এজন লাখপতি মানুহ আছিল। এই মানুহজনৰ নাম ধৰ্মৰাজ। ধৰ্মৰাজৰ পুতেকৰ সৈতে অনুপাজনীক বিয়া দিয়াৰ যো-জা চলি আছিল। এদিন অনন্তই গাঁৱৰ আন এজন মানী মানুহক লগত লৈ ধৰ্মৰাজৰ ঘৰলৈ গ'ল।

ধৰ্মৰাজে অনন্তলৈ সাদৰ অভ্যৰ্থনা জ্ঞাপন কৰিলে আৰু ক'লে, "বহক, মই এতিয়াই ল'ৰাটোক মতাই অনাইছোঁ। আপুনি জানেই—আমাৰ কেৱল খেতি-বাতিয়েই নহয়, বেহা-বেপাৰো। কথা আছে। আৰু সি—ল'ৰাটো সদা-সৰ্বক্ষণেই বেহা-বেপাৰৰ কথাতে মছগুল হৈ থাকে—বুইছে নহয়-হেৰি—?" এই বুলি কৈ, ধৰ্মৰাজে তেওঁৰ নতুনকৈ মকৰল কৰা গোমস্তাক হাত-বাউল দি মাতিলে।



ধৰ্মৰাজৰ গোমস্তাক দেখি অনন্ত চঁক খাই উঠিল। এই গোমস্তা আছিল সেই অলক, যিজন অলকক ছুবছৰৰ আগতে কামৰূপৰা খেদি পঠাইছিল!

অলকে অনন্তক প্ৰণাম কৰিলে আৰু ঘৰৰ সকলোটিৰ কুশল সুধিলে।

এইবোৰ কথা-কাণ্ড দেখি ধৰ্মৰাজে অনন্তক ক'লে, "মই সামান্য কিছুদিনৰ আগতে ইয়াক মোৰ গোমস্তাৰ কামত ল'লোঁ।" তাৰ পাছত অলকক ক'লে, "তুমি আমাৰ জয়ৰামক মাতি দিয়াচোন।"

অলকে ধীৰ কিন্তু স্পষ্ট মাতেৰে ক'লে, "সি এতিয়া নাহে।"

"আহিব। কেলেইনো নাহিব? তুমি—মই এতিয়াই তাক মাতিছোঁ বুলি কোৱাগৈ যোৱা। কইনাঘৰীয়া মানুহ আহিছে বুলি কোৱাগৈ।"

কিন্তু ধৰ্মৰাজৰ এইবোৰ কথালৈ সিমান মন নকৰি অলকে ক'লে, "সি এতিয়া নীলবেণীৰ ঘৰত আছে। তাক নীলবেণীয়ে আহিবলৈ নিদিব।"

"নীলবেণী—মানে—কি? কোন?" অনন্তই এইবোৰ কথা-বাৰ্তাৰ ধৰণ-ধাৰণ ভালকৈ নুবুজি সুধিলে।

অনন্তৰ সোধনৰ সহুত্তৰ ধৰ্মৰাজে দিবলৈ নৌপাওঁতেই অলকে কৈ উঠিল, "নীলবেণী হ'ল—সোণবেণীৰ ছোৱালী। জয়ৰামে এদিন মদ খাই বাটৰ দাঁতিত



পৰি থকাত সোণবেণী-নীলবেণীয়ে—মাক-জীয়েকে মদ খাই বেহুঁচ হৈ থকা জয়ৰামক বাটৰপৰা দাংকোলাকৈ সিহঁতৰ ঘৰলৈ লৈ গৈছিল। তেতিয়াৰেপৰাই জয়ৰাম—ক'বলৈ গ'লে তাতেই আছে। জয়ৰামকে জোঁৱাই হিচাপে ল'লে বুলিয়েই সোণবেণীয়ে সমাজত কৈ ফুৰিছে।"

শুনি অনন্তৰ চক্ষু চড়কগাছ! অনন্তই তেওঁৰ লগৰ মানুহজনক লৈ ধৰ্মৰাজৰ ঘৰৰপৰা ওলাই আহিল।

ধৰ্মৰাজে অলকক গঁতিয়াই উলিয়াই দিওঁতে ক'লে, "হাৰে মূৰুখবো মূৰুখ! ঘৰ-শত্ৰুক বিভীষণ হৈহে তই মোৰ ঘৰত সোমাইছিলিহিনে? ঘৰতে মই জুই একুৰা সুমুৰাই থৈছিলোঁনে? ওলা ওলা!"

ধৰ্মৰাজে অলকক ইমান জোৰেৰে ঠেলা মাৰি ঘৰৰপৰা উলিয়াই দিলে যে—অনন্তই অলকক সাৰটি নধৰাহেঁতেন সি মুখ থেকেচা খাই পৰিলহেঁতেন।

অনন্তই অলকক ক'লে, "ব'লা, বোপা, আমি আমাৰ ঘৰলৈ যাওঁৰেইগৈ, ব'লা।"

ধৰ্মৰাজে অনন্তক ক'লে, "আপুনি কিন্তু এই বদমাছক বিশ্বাস নকৰিব।"

অনন্তই মৃদুকৈ হাঁহিৰে ক'লে, "অলক যে কি আৰু কেনেকুৱা—আমি—মানে আমাৰ ঘৰৰ সকলোটিয়েই জানো। তাৰ প্ৰাণ গ'লেও সি যে মিছা নামাতে—সেই কথা জনাত আমাৰ আৰু বাকী নাই। তাক অকাৰণে ঘৰৰপৰা উলিয়াই মই যোৱা দুবছৰ ধৰি অনুতাপ ভুগি আছিলোঁ। এতিয়া তাক আৰু কৰ্মচাৰী হিচাপে নহয়, পুত্ৰ ৰূপেই ঘৰলৈ লৈ গৈছোঁ। বাৰু, নমস্কাৰ।"

অনন্তৰ সৈতে অলকক দেখা পাই অনুপা আৰু অনুপাৰ মাক আচৰিত হ'ল, কিন্তু অতিপাত আনন্দিতো হ'ল। কিছুদিনৰ অন্তত অনন্তই অলকৰ সৈতে অনুপাৰ বিয়াখন পাতি দিলে।



বহু বহু কালৰ আগৰ কথা। ৰুশ্ দেশৰ বুঢ়ী এজনীৰ আছিল দুটি পো। এটি মৰিল, সিটি দূৰ দেশলৈ বুলি ওলাল। দ্বিতীয় পো-টি ওলাল যোৱাৰ তিনিদিনৰ দিনা বুঢ়ীৰ ঘৰলৈ এটা চিপাহী আহিল। চিপাহীটোৱে মাত লগালে, "পেহী! অ' পেহী —, ৰাতি ভালেখিনি হ'ল। এতিয়ানো আৰু যাওঁ ক'লৈ? তোমাৰ ঘৰতে ৰাতিছোৱা থপোঁনে?"

"থাকা। কিন্তু—তুমি আহিলা ক'পৰা কোবাচোঁ?" বুঢ়ীয়ে সুধিলে।

"মই পেহী সিপুৰীয়া। মানে—মই সিপুৰীৰপৰাহে আহিলোঁ।"

"হয়নে?" বুঢ়ীয়ে সৰল মনেৰে ক'লে, "মোৰো ল'ৰা এটা কিছুদিন আগতে মৰিল। তুমি তাক কেতিয়াবা দেখিছানে তাত?"

"নেদেখিমনো কয় পেহী? সি আৰু মই দেখোন একেটা কোঠাতে থাকোঁ তাত।" চিপাহীটোৱে ক'লে।

বুঢ়ীয়ে আচৰিত মানিলে।

"পেহী, তোমাৰ ল'ৰাটোৱে সিপুৰীত বগ-ৰখীয়াৰ কাম কৰে।"

চিপাহীটোৰ কথা শুনি বুঢ়ীয়ে কৈ উঠিল, "আস্? বেচাৰা! কিমান যে কষ্ট!"

"ওঁ, ওঁ। বহুত কষ্ট। আৰু সেই বগবোৰো যে ইমমান দুষ্ট! সদায় উৰি-জঁপিয়াই কাঁইটীয়া জোপা-জুপলিলৈ যাব, আৰু তোমাৰ ল'ৰাটোৱে সিহঁতক ধৰি আনিব লাগিবগৈ।" চিপাহীটোৱে ক'লে, "তাৰ গাত কাপোৰ-কানি বোলা এতিয়া আৰু প্ৰায় নায়েই—। ছিঙি ফাটি একাকাৰ হৈ গ'ল।" চিপাহীটোৱে ক'লে।

'ৰুশ্ দেশৰ লোক-কথা'



"বোপা, মোৰ ওচৰত চল্লিছ গজমান কাপোৰ আৰু টকাও কিছু আছে। তুমি তাক দিব পাৰিবানে গৈ?" বুঢ়ীয়ে সুধিলে।

"কেলেই নোৱাৰিম, পাৰিম তো।"

ৰাতি পুৱাল, আৰু বুঢ়ীয়ে তাইৰ পুতেকলৈ দিয়া চল্লিছ গজ কাপোৰ আৰু লগতে টকাও এখিনি লৈ চিপাহীটোও ৰংমনে ওলাল।

এই ঘটনাৰ কেদিনমানৰ অন্তত বুঢ়ীৰ দ্বিতীয়টো ল'ৰা দূৰদেশৰপৰা উভতি আহিল। বুঢ়ীয়ে ক'লে, "বোপা, তুমি নথকাত সিপুৰীৰপৰা চিপাহী এজন আহিছিল আৰু সেইজনে তোমাৰ ককা-যেৰাৰ কষ্টৰ কথা মোক কৈছিলহি। সি আৰু এইজন চিপাহী বোলে তাত— সিপুৰীত একেটা কোঠাতে থাকে। মই চল্লিছগজমান কাপোৰ আৰু কিছুখিনি ৰুবল (ৰুশ্ দেশৰ টকা) তাক দিবলৈ চিপাহীজনৰ হাততে দিলোঁ।"

"অতি ভাল কাম কৰিলা। সি বেটাই এইবোৰ লৈ মজাছে গুচি গ'ল।" এইবুলি কৈয়েই বুঢ়ীৰ দ্বিতীয় ল'ৰাটো ঘোঁৰাত উঠি তৎক্ষণাৎ এক বিচাৰি ওলাল।

বুঢ়ীৰ পো-ৰে হাবি-জংগল পাৰ হৈ এখন গাঁৱৰ জমিদাৰৰ ঘৰৰ কাষতে থকা জন্তু-জানোৱাৰৰ গৰালৰ কাষত ৰ'লগৈ, তাত তেতিয়া ভালেমান পোৱালিৰে সৈতে গাহৰিবোৰে সৰু সৰু গছপুলি খাই আছিল। বুঢ়ীৰ পো-ৰে সেই গাহৰিবোৰক সাষ্টাংগে সেৱা কৰিলে।

জমিদাৰ-ঘৰৰ ওপৰ মহলাত থিয় হৈ জমিদাৰ-গৃহিণীয়ে এইবোৰ দেখা পাই চাকৰণী এজনীক ক'লে, "সেই ল'ৰাটোৱে কিয় গাহৰিবোৰক সেৱা কৰিছে—তাক সুধি আহাগৈচোন—।"

সোধাত বুঢ়ীৰ পো-ৰে ক'লে, "এই যে মাইকী গাহৰিজনীক দেখিছা, এওঁ হ'ল আমাৰ পৰিবাৰৰ আত্মীয়। কালিলৈ মোৰ ল'ৰাটোৰ বিয়া পতা

হৈছে। গতিকে—সেই বিয়ালৈ যাবলৈ আৰু বিয়া খাবলৈ এওঁলোকক লৈ যাম বুলিহে আহিলোঁ। লৈ যাব নোৱাৰিলে আমি গো-ৰে পোৱে তল যাম। তোমাৰ গিৰিহঁতনীক কৈ-মেলি এওঁলোকক লৈ যাব পৰাকৈ বন্দবস্ত কৰি দিলে তোমাৰ ওচৰত ধৰুৱা হৈ থাকিম।"

চাকৰণীৰপৰা এই সমিচাৰ শুনি জমিদাৰ-গৃহিণীয়ে বাগৰি বাগৰি হাঁহি মাৰি কৈ থাকিল, "তাক কোৱাগৈ যে—সি আমাৰ ঘোঁৰাবাগীত গাহৰিবিলাকক উঠাই লৈ য'কগৈ।"

সিদিনা জমিদাৰ ডাঙৰীয়া চিকাৰলৈ ওলাইছিল। চিকাৰৰপৰা উভতি অহাৰ লগে লগে গৃহিণীয়ে ঠা ঠাকৈ হাঁহি হাঁহি জমিদাৰ ডাঙৰীয়াক সকলো কথাৰ বিৱৰণ দাখিল কৰিলে আৰু ক'লে, "ঔফ্! গাহৰিয়ে বিয়া খাব — তাৰ কাৰণে মোৰপৰা অনুমতি লাগিল!"

"আৰু তুমি সেইফেৰা অনুমতি দিলা। নহয় জানো? জমিদাৰে সুধিলে।

"ওঁ তো, দিলোঁ তো। আৰু ল'ৰাটোৱে গাহৰিজনীক উনী কোটচোলা পিন্ধাই বাগীত উঠাই পোৱালিৰে সৈতে লৈ গ'ল।"

গৃহিণীৰ কথাখিনি শুনি জমিদাৰে ব্যস্ততাৰে সুধিলে, "সেই ল'ৰাটো কোন-

পিনে গ'ল—ক'ব পাৰিবানে?"

"কেনেকৈ ক'ওঁ?" গৃহিণীয়ে ক'লে।

গৃহিণীৰ কথাত জমিদাৰ ডাঙৰীয়াৰ খং উঠিল। কিন্তু তেওঁ একো নামাতি, পোনেই ঘোঁৰাৰ পিঠিলৈ জঁাপ মাৰি উঠি বুঢ়ীৰ পো-ক বিচাৰি ওলাই গ'ল।

ঘোঁৰাৰ খুৰাৰ শব্দ উঠাত বুঢ়ীৰ পো সাৱধান হ'ল। সি বাগীখন জোপোহাৰ আঁৰত লুকুৱাই থৈ, বাটৰ এদাঁতিত বহি, মূৰৰ টুপি ওলোটাই ভিক্ষা খুজি থকাৰ ভাও দি থাকিল।

আহি আহি জমিদাৰে সেই ঠাই পালেহি। জমিদাৰে বুঢ়ীৰ পো-ক সুধিলে,

"বোলোঁ হেই—এজাক গাহৰিক বাগীত উঠাই কোনোবাই এই ফালেদি যোৱা দেখা পাইছানে?"

হয় হুজুৰ, পাইছোঁ দেখা। কিন্তুক—ব-হ্‌হুত সময়ৰ আগ্‌তে। এতিয়া বহুত দূৰ গুচি গেল্‌ হ'পায়।" বুঢ়ীৰ পোৱে জমিদাৰক ক'লে।

সেই মানুহটোক যেনেতেনে ধৰিবলৈ জমিদাৰে বুঢ়ীৰ পো-ৰেপৰাই যেতিয়া সহায় খুজিলে, তেতিয়া বুঢ়ীৰ পো-ৱে ক'লে, "হু—জ্‌জুৰ। আপ্‌নি যদি ৰাস্তা চিনাই দিয়ে, মই যাম—ধৰিম তাক। কিন্তু হুজুৰ—আপ্‌নাক সহায় কৰিব পৰা মোৰ ঘোঁৰা এটাও নাই। যাম কেনেকৈ' তাক ধইৰ্‌বাক্? আৰু—এই টুপিৰ তলত যি শেনচৰাই আছে—মই পৰ দিছোঁ। মোৰ মালিক যদি আহি পায়হি বা—আৰু মোক আৰু শেনচৰাইবোৰক ইয়াত নাপায়হি—মোৰপৰা তিনিশ ৰুবল (টকা) উচুল কৰিব, আৰু যদি নিদোঁ—পিঠিৰ ছ ল বখলিয়াব—হুজুৰ!"

"হ'ব। তুমি জল্‌দি কৰা। মোৰ এই ঘোঁৰাটো লোৱা আৰু লোৱা তোমাৰ তিনিশ ৰুবল মই ইয়াত টুপি খামুচি ধৰি ধৰি বহি আছোঁ। তুমি শীঘ্ৰে উভতি আহিবা। যোৱা— যোৱা।" জমিদাৰে খৰখেদা লগালে।

এইবাৰ বুঢ়ীৰ পোৱে জমিদাৰৰ ঘোঁৰাটো আৰু লগতে তিনিশ ৰুবল লৈ তৎক্ষণাৎ নিফুট মাৰিলে। বহু সময়ৰ অন্তত্তো যেতিয়া সি বুঢ়ীৰ পো উভতি নাহিল তেতিয়া জমিদাৰে জোৰেৰে চেপি ধৰি থকা টুপিটো দাঙি চালে যে টুপিৰ তলত শেন বা তেন জাতীয় কোনো চৰাই-তৰাই একোৱেই নাই। ফন্দিয়ক এটাক ধৰিবলৈ আহি নিজেই ফান্দত পৰিল—নিজেই শেনটো হৈ আহি ঘৈণীয়েকৰ ওচৰলৈ ফেঁচাটো হৈহে ভলালগৈ।



বীৰ হনুমান

৩২

হনুমানে সুতীব্ৰ কঁড়ৰ গতিৰে চন্দ্ৰসেনাৰ প্ৰাসাদলৈ বুলি ঢাপলি মেলিলে।

চন্দ্ৰসেনাক এক অতি মূল্যৱান মৰ্মৰ প্ৰস্তৰ-নিৰ্মিত প্ৰাসাদত বন্দিনীৰূপে থৈ দিছিল মহীৰাৱণে। এই প্ৰাসাদ আছিল মণি-মুকুতাৰে অতি সুসজ্জিত-সুশোভিত প্ৰাসাদ। গাঢ় অন্ধকাৰতো এই প্ৰাসাদৰ দেৱালত থকা মণি-মুকুতা-হীৰা-পান্না-চুনী আদিৰপৰা পোহৰ ওলাইছিল।

এই প্ৰাসাদৰ দ্বাৰত কোনো ৰাক্ষস পৰীয়া হিচাপে নাছিল, কালী গোসাঁনীৰ মন্দিৰলৈ গৈ সুৰাপান কৰিবৰ মনেৰে সকলো ৰাক্ষসেই তালৈ ঢপলিয়াইছিল।

কিন্তু চন্দ্ৰসেনাৰ প্ৰাসাদ-দ্বাৰত শুই আছিল এক বিৰাট আকৃতিৰ বিকট-দৰ্শন সৰ্প-ৰাক্ষস। হনুমানক দেখা পায়েই সৰ্প ৰাক্ষস-টোৱে বিৰাট শব্দেৰে হিচহিচাই উঠিল। এই সাপটোৰ আনকি ঠেঙো আছিল, আৰু তাৰ ভৰিত থকা নখৰপৰা ধোঁৱা আৰু জুই ওলাইছিল। সাপটোৱে হনুমানক গিলি খাবলৈ তাৰ নেজৰ ওপৰত ভৰ দি গোটেইটো থিয় হৈ উঠিল। হনুমানে জঁপিয়াই পৰি সাপটোক ছিন্ন-ভিন্ন কৰিব বুলি ভবাৰ লগে লগে প্ৰাসাদৰ ওপৰ মহলৰপৰা চাৰিওপ চাৰিওপকৈ সৌকাৰ আস্ফালন আৰু লগতে এক নাৰীকণ্ঠৰ সুতীব্ৰ আৰ্তনাদ ঢৌৱাই হনুমানৰ কাণলৈ আহি পৰিলহি।

‘মহীৰাৱণ সংহাৰ’

মুহূৰ্ততে হনুমানে সূক্ষ্মৰূপ ধাৰণ কৰিলে আৰু সাপটোৰ মেল খাই থকা মুখৰ মাজেদি পেটৰ ভিতৰলৈ সোমাই সাপটোৰ পেটটো ফালি পেলাই ওলাই আহি সাপটোক মাৰি পেলালে আৰু পাছ মুহূৰ্ততে প্ৰাসাদৰ ওপৰ মহলালৈ বুলি খোজ ল'লে।

সমগ্ৰ প্ৰাসাদ তেতিয়া নিৰ্জন আৰু অন্ধকাৰ। সেই সূচীভেদ্য অন্ধকাৰত প্ৰাসাদৰ গাত থকা মণি-মুকুতা-ৰত্নৰাজিৰ পোহৰ বিচ্ছুৰিত হৈ থাকিল। সেই ঘনান্ধকাৰৰপৰা পুনৰ নাৰীকণ্ঠৰ আৰ্তনাদ ধ্বনিত হ'ল। হনুমানে আৰ্তনাদলৈ মন কৰি সবেগে কিন্তু নিশব্দে গৈ থাকিল।

গৈ গৈ হনুমানে সেই আৰ্তনাদ উঠা কক্ষৰ দুৱাৰমুখ পালেগৈ। কিন্তু কক্ষটো ভিতৰফালৰপৰা বন্ধ কৰি দিয়া হৈছিল। গতিকে—হনুমানে খিৰিকীয়েদি কক্ষৰ ভিতৰলৈ জুমি চালে।

তেতিয়া সদ্যে চেতনাপ্ৰাপ্ত চন্দ্ৰসেনাক কণ্টকী-ৰাক্ষসীয়ে কৈ আছিল, "ক,' তই কাক কালী মন্দিৰলৈ পঠাইছিলি এতিয়াও কৈ দে। নহ'লে—তোক এই পৰশুৰে (কুঠাৰেৰে) ছুছোৰা কৰি পেলাম। তোৰ দৰে পিশাচিনীক পাতাল-লংকালৈ মৈৰাৱণে কিয় যে লৈ আহিছিল—! নিশ্চয় তাৰ মতিভ্ৰম হৈছিল। এতিয়াও নক'লি যে যম-ডাকিনী! তোক মই—" ইমানলৈকে কৈয়েই কণ্টকী ৰাক্ষসীয়ে চন্দ্ৰসেনাৰ ডিঙিত টিপা মাৰি ধৰিবলৈ লওতেই খিৰিকীয়েদি হনুমানে তেওঁৰ দীঘল নেজডাল সুমুৱাই কণ্টকীৰ ডিঙিত মেৰিয়াই ধৰি তাইক কেইমুহূৰ্তমানৰ মাজতে মাৰি পেলালে।

তাৰ পাছত হনুমানে এগোৰ মাৰি কক্ষৰ দুৱাৰখন ভাঙি পেলালে।

হনুমানে চন্দ্ৰসেনাক নমস্কাৰ কৰিলে আৰু অতি চমুকৈ ক'বলগাখিনি ক'লে।

আৰু—মহীৰাৱণৰ মৃত্যুৰ উপায় জানিবলৈ কাতৰ আবেদন জনালে।

শ্ৰীৰামচন্দ্ৰৰ নাম শুনাৰ লগে লগেই চন্দ্ৰসেনাৰ সৰ্বকষ্ট সৰ্বদুঃখ দূৰীভূত হ'ল, চন্দ্ৰসেনাই আনন্দৰ ঢৌৰ সৈতে উটি থাকিল। তাই অতি আনন্দৰে হনুমানক ক'লে, "হে হনুমান! মই তোমাক মহীৰাৱণৰ প্ৰাণ-ৰহস্য নিশ্চয় ক'ম। কিন্তু প্ৰথমে কোৱাঁ, মহীৰাৱণৰ মৃত্যুৰ অন্তত ৰামচন্দ্ৰক এটিবাৰ ইয়ালৈ লৈ আহিবা।"

হনুমানে কথা দিলে।

তেতিয়া চন্দ্ৰসেনাই মহীৰাৱণৰ প্ৰাণ-ৰহস্য হনুমানৰ আগত বৰ্ণিলে।

চন্দ্ৰসেনাৰপৰা সকলোখিনি কথা জানি লৈ হনুমান চকুৰ পচাৰতে প্ৰাসাদৰ বাহিৰলৈ আহিল, আকাশলৈ উৰিল। উৰি উৰি হনুমানে সপ্তসমুদ্ৰৰ মাজত থকা জ্বালামুখী পদ্ম পালেগৈ। এই পদ্মৰ পাপৰিবোৰত লৌ লৌকৰে অগ্নি প্ৰজ্বলিত হৈ আছিল। হনুমানে তেতিয়া অগ্নিদেৱক সুঁৱৰিলে আৰু সেই জ্বলন্ত পদ্মৰ ভিতৰলৈ সোমাই গ'ল। আৰু সেই পদ্মপুষ্পৰ ঠাৰি বগাই গৈ গৈ মকৰ বিল পালেগৈ।

মকৰবিলত আছিল এক অতি ভয়ানক সৰ্প। সেই সৰ্পই যেতিয়া হনুমানৰ আগত তাৰ বিশাল ফেঁট মেলি দিলে, তেতিয়া হনুমানে কৈ উঠিল, "মোৰ সন্মুখৰপৰা এতিয়াই গুচি যোৱা। তুমি কোন— ?"

সেই বিকটাকৃতি সৰ্পই মুখ ব্যাদান কৰি হাঁহি মাৰি ক'লে, "মই হ'লোঁ বেতাল! ভূত প্ৰেত পিশাচহঁতৰ—ময়েই চৰ্দাৰ। পিছে—তুমিনো কোন? কেৱল দুই মহাবীৰ ইয়ালৈ সোমাবহি পাৰে। প্ৰথমজন হ'ল মৈৰাৱণ, আৰু দ্বিতীয়জন হ'ল মহাশক্তিমান কোনোবা এজন। তুমি যে মৈৰাৱণ নহয়, দেখা কথা। তেনেহ'লে তুমিয়েই সেই দ্বিতীয়জন।"

হনুমানে হো হো কৰে হাঁহি উঠি ক'লে, "বেতালৰ কেনে দুৰৱস্থা! কোনে

কেনেকৈ কিয় তোমাক ইয়াত এইদৰে বন্দী কৰি থৈছে? যি কি নহওক—এতিয়া ইয়াৰপৰা গুচি যোৱা। নহ'লে তোমাৰ বিষম বিপদ হ'ব।"

বেতালে বিদ্রূপাত্মক হাঁহিৰে ক'লে, "ঠিক আছে, কিথিনি বিপদ হ'ব—তাৰ সোৱাদেইবা কেনে—চাকি চাৱঁেই বাৰু।" লগে লগে হনুমানে বেতালক ঘোচা এটা মাৰি এঘোচাৰেই বগৰাই পেলালে। তেতিয়া বেতালে হনুমানক নমস্কাৰ কৰি ক'লে, "হে প্ৰভু হনুমান! মই আজি ধন্য মানিছোঁ। সামান্য অপৰাধতে ইমানকাল ধৰি ইয়াত বন্দী হৈ আছিলোঁ। তোমাৰ স্পর্শ পোৱা হ'লেই মোৰ মুক্তি লাভ হ'ব বুলি শিৱই কোৱা কথা আজি ফলিল। জয় বীৰ হনুমান!" এই বুলি কৈয়েই বেতাল অদৃশ্য হৈ পৰিল।

এইবাৰ হনুমানে প্ৰায়ান্ধকাৰ গুহা এটাৰ ভিতৰ সোমাল আৰু তাত সুউচ্চ বেদী এটাৰ ওপৰত থকা ৰত্নপেটিকা এটা দেখা পালে। হনুমানে সেই ৰত্নপেটিকাটো অর্থাৎ ৰত্ন-খচিত পেড়াটো স্পর্শ কৰিলে আৰু লগে লগে জুই লি উঠি হনুমানক চাৰিওফালৰপৰা আগুৰি ধৰিলে।

হনুমানে তৎক্ষণাৎ কৰযোৰে অগ্নি-দেৱতাক সুঁৱৰি ক'লে, "হে অগ্নিদেৱ! মই তোমাৰ মিত্ৰ পৱনপুত্ৰ হনুমান। মোৰ প্ৰতি, হে অগ্নিদেৱ! কৃপা প্ৰদৰ্শন কৰ। তৎক্ষণাৎ জুই নুমাল আৰু লগে লগে দৈৱবাণী শুনা গ'ল:

"হে মাৰুতি! এই ৰত্ন-পেটিকাত থকা পাঁচোটা ভৈৰৱক একেলগে খাই নাশ কৰিবলৈ তোমাক পাঁচখন মুখ লাগিব, পাঁচোখন মুখেৰে একেলগেই পাঁচোটা ভৈৰৱক চোবাই মাৰি পেলাব লাগিব—এই কথা সদায় মনত ৰাখিবা।"

হনুমানে অগ্নি-দেৱলৈ প্ৰণাম কৰিলে আৰু সেই ৰত্ন-পেটিকাৰে সৈতে ৰাম-লক্ষ্মণৰ সমীপলৈ বুলি ৰাওনা কৰিলে।



তেতিয়ালৈকো ৰাম-লক্ষ্মণে অসংখ্য মহীৰাৱণৰ সৈতে যুদ্ধ কৰি আছিল। হনুমানে সিংহনাদ কৰি মহীৰাৱণৰ আগত থিয় দিলে আৰু ক'লে, "ৰে পাতাল লংকেশ্বৰ! তোমাৰ পঞ্চপ্ৰাণ থকা ৰত্নপেটিকা মই লৈ আহিলোঁ। এতিয়াও সময় আছে,—তুমি ৰাম-লক্ষ্মণৰপৰা ক্ষমা ভিক্ষা কৰি লোৱা।"

সেই ৰত্ন-পেটিকা দেখি মহীৰাৱণ মদকুৱা পৰিল। মহীৰাৱণে ক'লে, "হে বানৰ! এই ৰত্ন-পেটিকাচুৰি কৰি আনি নাই। তুমি কিন্তু মুঠেই ভাল কাম কৰা এই পেটিকাৰপৰা ভৈৰৱ ওলায়েই যদি—মোক খোৱাৰ আগতে ভৈৰৱইতে তোমালোকক খাব। ভৈৰৱইতে তোমাক, আৰু ৰাম-লক্ষ্মণকো মাৰি পেলাব। যদি নিজৰ প্ৰাণৰ প্ৰতি মায়া আছে, এই পেটিকা থৈ দিয়া আৰু গুচি যোৱা।"

হনুমানে ঠা ঠাকৈ অট্টহাঁহিৰে গগন কঁপাই ক'লে, "দেখা যাব—কোন ভৈৰৱে কাক মাৰে!"

হঠাৎ মহীৰাৱণে চিঞৰি দিলে, "কণ্টকী! শীঘ্ৰে—অতি শীঘ্ৰে চন্দ্ৰসেনাক মাৰি পেলোৱা!"

হনুমানে মিচিকীয়াই হাঁহি মাৰি মহীৰাৱণক ক'লে, "কণ্টকী তোমাতকৈ বুদ্ধিমতী আছিল। তাই ৰাক্ষসীয়ে বহু আগতেই চন্দ্ৰসেনাক মাৰি পেলাবলৈ যো-জা কৰিছিল। কিন্তু—শেহান্তৰত তাই নিজেই মৰিল।

আগলৈ যে কি ঘটনা ঘটিব—মহীৰাৱণে মুবুজাকৈ নাথাকিল! হঠাৎ মহীৰাৱণে চিৎকাৰ কৰি উঠিল আৰু ৰাম-লক্ষ্মণক যেনেতেনে মাৰি পেলাবলৈ বাণ-বৃষ্টি কৰি থাকিল। মহীৰাৱণে নিজেই নিজৰ দেহত ক্ষত সৃষ্টি কৰি তেজ উলিয়াই হেজাৰ বিজাৰ মহীৰাৱণৰ সৃষ্টি কৰি থাকিল।

এই ঘটনা প্ৰত্যক্ষ কৰি হনুমানে

দেৱাদিদেৱ মহাদেৱৰপৰা পঞ্চমুখ প্ৰাৰ্থনা কৰি ধ্যানমগ্ন হ'ল আৰু চকুৰ পচাৰতে হনুমান 'পঞ্চমুখী অৱতাৰ' হ'ল।

এইবাৰ পঞ্চমুখেৰে হনুমানে বিৰাট হুংকাৰ মাৰিলে আৰু হুংকাৰি সেই ৰত্নপেটিকাৰ সাঁফৰখন দাঙি ধৰিলে। লগে লগে প্ৰলয় হুংকাৰ কৰি পাঁচোটা ভৈৰৱে ওলাই আহি হনুমানক আক্ৰমণ কৰিবলৈ ধৰোঁতেই হনুমানে সেই পাঁচোটা ভৈৰৱক পাঁচখন মুখত ভৰাই পেলালে আৰু আটাইকেইটা ভৈৰৱক দাঁতেৰে চোবাবলৈ ধৰিলে। অলপ পাছত হনুমানে তেওঁৰ মুখৰপৰা পাঁচোটা ভৈৰৱৰ মৃতাৰশেষ উলিয়াই আনি থুই দিয়াৰ লগে লগেই সেই অতি বিক্ৰমী মহীৰাৱণ কটা কলগছটোৰ দৰে বাগৰি পৰি ঢুকাল।

এইদৰে— মহীৰাৱণৰ সৈন্যবাহিনীও ছেদেলি-ভেদেলি হৈ গ'ল, কিন্তু সিহঁত তথাপি নপলাল। ৰাম-লক্ষ্মণৰ বিৰুদ্ধে মহীৰাৱণৰ অনুগত সৈন্যহঁতে প্ৰাণৰ মমতা এৰি যুঁজি থাকিল। তেতিয়া ৰামচন্দ্ৰই এক বিশেষ বাণ প্ৰয়োগ কৰিলে, আৰু মহীৰাৱণৰ সেই বিশাল বাহিনীৰ একেলগে মৃত্যু হ'ল।

তেতিয়া পঞ্চমুখাঞ্জনেয়, ৰামচন্দ্ৰ আৰু লক্ষ্মণৰ ওপৰত আকাশৰপৰা পুষ্পবৃষ্টি হৈ থাকিল। ব্ৰহ্মা আৰু অন্যান্য বহু সংখ্যক দেৱতাও সেই যুদ্ধক্ষেত্ৰলৈ আহিল।

ব্ৰহ্মাই শ্ৰীৰামচন্দ্ৰক ক'লে, "হে ৰাম! এই মহীৰাৱণ আছিল কালনেমিৰ অংশ-সম্ভূত। হনুমানৰ সহায়তাৰে এতিয়া তোমালোকে মহীৰাৱণক বধিব পাৰিলা। আৰু হনুমান হ'ল শিৱৰ অংশ সম্ভূত, —সেইহে সপ্তসমুদ্ৰৰ সোঁমাজত থকা পঞ্চ-ভৈৰৱৰ ৰত্নপেটিকা হনুমানে হৰণ কৰি লৈ আহিবলৈ সক্ষম হৈছিল।"

শিৱই হনুমানক আশীৰ্বাদ কৰি ক'লে, "হে হনুমান! তোমাৰ শক্তি-সামৰ্থ্য তথা বল—পৰাক্ৰম—অদ্বিতীয়।

তুমি এক অসাধ্য কাৰ্য্য সাধিলা, নহ'লে মহীৰাৱণৰ সংহাৰ আছিল এক অকল্পনীয় ঘটনা। আগলৈ, যিজনে পঞ্চমুখা জনেয়ক সুঁৱৰিব—সেইজনক কোনো ধৰণৰ —ভূত-প্ৰেতে কদাপি কোনোবিধৰ হানি কৰিব নোৱাৰিব।"

হনুমানে নিজেই পঞ্চমুখ পৰিত্যাগ কৰাৰ অন্তত ব্ৰহ্মা আৰু শিৱক প্ৰণাম কৰিলে। ব্ৰহ্মাদি দেৱতাগণে আৰু শিৱই এই আশীৰ্বাদ কৰিলে যে—ৰামচন্দ্ৰ আৰু লক্ষ্মণও বিজয়প্ৰাপ্ত হওক। তাৰ পাছত দেৱতাসৱে তাৰপৰা বিদায় ল'লে।

বিদায় লোৱাৰ পূৰ্ব মুহূৰ্তত ব্ৰহ্মাই শ্ৰীৰামচন্দ্ৰক এই আদেশ প্ৰদান কৰিলে যে—মৎস্যবল্লভক পাতাল-লংকাৰ ৰজা পতা হওক।

শ্ৰীৰামচন্দ্ৰয়ো ব্ৰহ্মাৰ আদেশ মতে মৎস্যবল্লভক পাতাললংকাৰ ৰজা পাতি সিংহাসনত অধিষ্ঠিত কৰিলে।

এইবোৰ সমাপ্ত হোৱাৰ অন্তত হনুমানে চন্দ্ৰসেনাক কথা দিয়াৰ কথা শ্ৰীৰামচন্দ্ৰক ক'লে। হনুমানে ক'লে, "হে ৰাম! হে প্ৰভু! চন্দ্ৰসেনাৰপৰা সহায়-সাৰথি নোপোৱাহেঁতেন সেই দুৰ্দ্ধৰ্ষ মহীৰাৱণক নিশ্চয় সংহাৰ কৰিব পৰা নগ'লহেঁতেন। মহীৰাৱণৰ প্ৰাণ ক'ত আছে—সেই কথাৰ ভু লোৱা আৰু পোৱা বৰ সহজসাধ্য কাম নাছিল। মহীৰাৱণৰ মৃত্যুৰ অন্তত আপোনাক চন্দ্ৰসেনাৰ ওচৰলৈ লৈ যাম বুলি চন্দ্ৰসেনাক মই কথা দিছিলোঁ। সেই কথাত নৰওঁ যদি মোক পাপে স্পৰ্শ কৰিব।"

কেইমুহূৰ্তমানৰ বাবে নিৰ্বাক হৈ থকা ৰামচন্দ্ৰই যেতিয়া অপূৰ্ব হাঁহিৰে এই প্ৰস্তাৱত সন্মতি দিলে, তেতিয়া হনুমানৰ প্ৰাণত আনন্দৰ জোৱাৰ উঠিল।



আত্মশুদ্ধিৰ বাবে

গোবৰ্ধনপুৰত গোপাল নামৰ এগৰাকী সজ্জন-সজ মানুহ আছিল। সকলোৰেপৰাই গোপাল আছিল নম্ৰ সেৱাপৰায়ণ মানুহ। তেওঁৰ ওচৰে-পাঁজৰে থকা চুবুৰীয়াসকলে সুখে-শান্তিৰে থাকক — এয়ে আছিল গোপালৰ মনৰ একান্ত কামনা। টানে-মস্কিলে গোপালৰপৰা কি বুদ্ধিৰ সহায় কি অৰ্থৰ—নোপোৱা মানুহ ক'ৰবালৈ গ'লে নাই। কোনো অৱস্থাতে গোপাল নামৰ এই ভদ্ৰ মানুহজনে নাইত হাত নিদিয়ে, নিদিবৰ দেওবাৰ মুলিয়ায়।

এইদৰে বহু বছৰ পাৰ হোৱাৰ পাছত এসময়ত গোপালৰ এনে উপকাৰী মনোভাবৰ শলাগ লওঁতা কোনো এজনো নাথাকিল। এনেবোৰ উপকাৰৰ কাম গোপালে এনেয়েও কৰিব তেনেয়েও কৰিব বুলি ৰাইজে ভাবি থাকিল, আৰু গোপালৰ উপকাৰৰ কথা স্বীকীয়াকৈ ভাবিবৰ অৱশ্যকেই বোধ নকৰা হ'ল।

কিন্তু গোপালে যদি কাৰোবাক সোধ-পোছ নকৰা হয়, যদি পাহৰি থাকে, তেওঁ আহি ক'ব: চেঃ! তোমাৰ ভাৰসাত থাকিলোঁ, আন কাৰোপৰা সহায়-ভহায় নিবিচাৰিলোঁ। আৰু ইপিনে — তুমিও নাহিলা, মোকো লেঠাত পেলালা। চেঃ! চেঃ!

লাহে লাহে গোপালৰ আঁৰত চৰ্চ্চাৰ মানুহো দুই-চাৰি ওলাল। কিছুমানে কোৱাকুই কৰা হ'ল: এতিয়া গোপালৰ ঢেৰ পইচা হ'লহে, ঢেৰ পইচা হ'ল। সি ধনেদি মঠ বান্ধিব পৰা হ'ল।

এইবোৰ-এনেবোৰ কথা গোপালৰ

কাণতো নপৰা নহয়, পৰে, শুনি গোপালে দুখ পায়। মনৰ দুখতে গোপালে তেওঁৰ পৰিবাৰক কয়, "মোৰ ভদ্ৰতাৰ এয়ে হ'ল পৰিণাম। সহায় কৰিলেও সহায় পাওঁতাৰ মনত তৃপ্তি নাই, যিজনে সহায় পোৱা নাই তেওঁৰ মোৰ ওপৰত উঠে ফাই। গতিকে এইবোৰ উপকাৰ-টুপকাৰৰ কাষেদিও আৰু নাযাওঁ বুলি ভাবিছোঁ, চুপচাপ থাকিম।"

গোপালৰ পৰিবাৰ গৰিমাই হাঁহি উঠিগ আৰু তাই হাঁহি হাঁহিয়েই ক'লে, "বিছাই-বৰলে হুল দিব বুলি কোনোবাই ঘৰতে দুৱাৰ-খিৰিকী মাৰি বহি থাকিবনে? শিলগুটি দলিয়ালেও বৃক্ষই ফল-ফুল নিদিয়াকৈ নাথাকে। হিংসা-দ্বেষ আছে বুলি পৰোপকাৰ বোলা ধৰ্ম নোহোৱা নহয়। আৰু—সৰুকালৰপৰা চলাই অহা পৰোপকাৰৰ অভ্যাস পৰিত্যাগ কৰি আপুনিও শান্তিৰে দিনবোৰ-ৰাতিবোৰ পাৰ কৰিব পাৰিব জানো? :কাম এটা কৰা যাওক, ব'লক কিছুদিনৰ বাবে তীৰ্থলৈ ওলাওঁ, আপোনাৰ ক্ষুব্ধ মন শান্ত হ'ব।"

গোপালে উদাস কণ্ঠেৰে ক'লে, "মোৰ এতিয়া আৰু ঈশ্বৰত বিশ্বাসেই নোহোৱা হৈছে। গতিকে —তীৰ্থযাত্ৰাৰে কোনো সুফল ন'হব।"

"তেনেহ'লে মানৱৰূপী ঈশ্বৰতে বিশ্বাস স্থাপন কৰক। শুনিলোঁ— চিনিবাসপুৰ গাঁৱলৈ সাধু-মহাত্মা এগৰাকী আহিল। সেইগৰাকী সাধু হেনো ভগৱানৰে অৱতাৰ। তেওঁৰ নাম হ'ল স্বামী আত্মানন্দ। তেওঁৰ অপাৰ মহিমা। আপোনালোকৰ কুটুম্বী—শ্ৰীপাল হেনো মহাত্মা আত্মানন্দৰ পৰম ভক্ত শিষ্য হ'ল। শ্ৰীপালো যে এসময়ত আপোনাৰ দৰে নাস্তিক আছিল—কথাটো আপুনিও জানেই নিশ্চয়।"

কথাটো শুনি গোপালে ভাবিলে: স্বামী আত্মানন্দই যদি নাস্তিক শ্ৰীপালৰ হৃদয়ত ঈশ্বৰলৈ ভক্তি-ভাৱ জগাব পাৰিছে, তেনেহ'লে আত্মানন্দ চাগে অৱতাৰ-

পুৰুষেই হ'ব। আগতে শ্ৰীপাল আছিল অতি জঘন্য স্বাৰ্থপৰ। সি আনকি তাৰেই ভায়েকৰ সা-সম্পত্তি আত্মসাৎ কৰিলে। আৰু ৰাজকৰ্মচাৰী এজনক ভেটি থুৰাই গাঁৱৰ গাঁওবুঢ়া হ'ল। কিন্তু এতিয়া—স্বামী আত্মানন্দৰ প্ৰভাৱত পৰি সিয়েই হৈ উঠিল ভগৱদ্ভক্ত! কম কথা নহয়। এই পৰিৱৰ্তনলৈকো কলিজা লাগে। এই কথা গোপালে ভাবিলে।

গোপালে পৰিবাৰক পুনৰ ক'লে, "ব'লা, আমি প্ৰমোদপুৰলৈ গৈ শ্ৰীপালৰ ঘৰত কেইদিনমান থাকি আহোঁগৈ। শ্ৰীপালৰ যদি সঁচাসঁচিকৈ পৰিৱৰ্তন হৈছেই —তো আমিও চিনিবাসপুৰলৈ যাম স্বামীজীক দৰ্শন কৰিবলৈ। তেতিয়া মনৰ শান্তি নিশ্চয় ঘূৰাই পাম।"

পৰিবাৰেও মত দিলে আৰু তাৰ পাছত গোপালে পৰিবাৰৰে সৈতে প্ৰমোদপুৰলৈ বুলি খোজ বঢ়ালে। দুয়ো যেতিয়া শ্ৰীপালৰ ঘৰ পালেগৈ, তেতিয়া তাত ভক্তসৰে মিলি খোল-বাদ্য সহকাৰে নাম-কীৰ্তন কৰি আছিল।

এসময়ত কথাই কথাই শ্ৰীপালে গোপালক ক'লে "তোমালোকৰ গাঁৱত তুমিহে মোক প্ৰকৃত মৰম কৰা একমাত্ৰ মানুহ। গাঁৱৰ ৰাইজে মোক এটা অপদাৰ্থ বুলি ভাবিছিল আৰু কৈছিল যে মোৰ হেনো কোনোদিনে কোনোফালে কোনো-বিধৰ উন্নতি নহ'ব। কিন্তু ইহঁতৰ মুখত ছাই দি স্বামী আত্মানন্দৰ আশীৰ্বাদত মই বঢ়িয়া অৱস্থাতে আছোঁ এতিয়া দেখিছাই।

গোপালে শ্ৰী 'লৰ কথাৰ উত্তৰত ক'লে, "গাঁৱৰ যিসকলে তোমাক অপদাৰ্থ বুলি কিয়, কৈছিল—তুমি যাতে আওবটীয়া নোহোৱা — কিজানি সেই কথা মনত ৰাখিহে মৰমতেই তেনেকৈ কৈছিল। এতিয়া তুমি যেনেকৈ ভাল অৱস্থাত আছা, তেতিয়া তেওঁলোকৰো আ-অৱস্থা ভালেই আছিল বুলি বোধ হয়।"

শুনি শ্ৰীপালৰ পেটে পেটে খং উঠিল আৰু ক'লে, "হ'লেও—মোৰ সমান নাছিল যে—জানো মই। আমাৰ গাঁৱৰ বীৰবাহুৰ পুতেকটো ৰাজদৰবাৰত চাকৰি পাওঁ পাওঁ হৈছিল। জানিব পাৰি মই—সি যাতে চাকৰিটো একোপধ্যেই নাপায় তাৰ দিহা কৰিছিলোঁ। কিয়নো—বীৰবাহুৱে মোৰ বিৰুদ্ধে মোৰ ভাইটোকে সমৰ্থন কৰিছিল। গতিকে— গতিকে—এইবাৰ তাক মজা এপালি দিলোঁ, তাৰ ল'ৰাটোৰ চাকৰিৰ মুদা মাৰিলোঁ।"

এই কথা শুনি গোপাল চঁক খাই উঠিল। গোপালে শ্ৰীপালক ক'লে, "তুমি হ'লা এতিয়া ভগৱন্ত-ভক্ত মানুহ। তুমি এতিয়াও যে এনেবোৰ খিয়লা-খিয়লিত আছা—ভাবিবলৈকো টান পাইছোঁ।"

গোপালৰ কথালৈ শ্ৰীপালে কাণসাৰ নকৰাকৈয়েই কৈ থাকিল, "আমাৰ গাঁৱৰ শংকৰ যোৱা পৰহি দিনা ইয়ালৈ আহিছিল তাৰ ছোৱালীজনীৰ কাৰণে পাত্ৰ বিচাৰি। শংকৰে মোৰে সৈতে কেতিয়াও কোনো বেয়া ব্যৱহাৰ কৰা নাছিল, কাজিয়া-কন্দল দূৰৰে কথা। কিন্তু কিছুদিনৰ আগতে কথা-প্ৰসংগত তাৰ ছোৱালীজনী মোৰ ছোৱালীজনীৰ তুলনাত দেখাই-মেলাই ভাল বুলি মন্তব্য কৰি কৈছিল যে—মোৰ ছোৱালীজনীতকৈ বোলে তাৰ ছোৱালীজনীৰ বিয়া ঢেৰ আগতে হৈ যাব। গতিকে—ইয়াৰ কইনা-ঘৰীয়াই যেতিয়া শংকৰহঁতৰ বিষয়ে মোক সুধিলে—মই তেতিয়া বোৰ বুজি বৌটোকে চৌটো কৰি ক'লোঁ, আৰু তাৰ ফলত তাৰ ছোৱালীজনীৰ হোৱা-বিয়া ভেস্তি গ'ল। চাওঁচোন বাৰু সি শংকৰে কেনেকৈ মোৰ ছোৱালীজনীৰ বিয়া হোৱাৰ আগতে তাৰজনীৰ বিয়া পাতে!"

শুনি গোপালৰ চক্ষু চড়কগাছ! কয় কি এই পাষণ্ডটোৱে!

গোপালে কঠোৰ ভাবে সুধিলে,

"এজনী ছোৱালীৰ বিয়া নষ্ট কৰি তোমাৰ অলপো অনুতাপ হোৱা নাইনে, শ্ৰীপাল?"

"কিহলৈনো অনুতাপ হ'বহে? এইবোৰ সকলো স্বামীজীৰ লীলা আৰু শংকৰৰ দুৰ্ভাগ্যৰ খেলা।" শ্ৰীপালে ক'লে।

গোপালৰ মনত স্বামীজীভক্ত তথা ঈশ্বৰভক্ত শ্ৰীপালৰ সম্বন্ধে ঘৃণা উপজিল আৰু তাৰ ফলত তেতিয়াই পৰিবাৰক তাৰপৰা গুচি যাবলৈ সাজু হ'বলৈ কোৱা হ'ল। কিন্তু সাঁজ লাগি ভাগিছিল বাবে ৰাতিছোৱা বাধ্যত পৰি এনে ঘৃণনীয় শ্ৰীপালৰ ঘৰতে থাকিবলগীয়া হ'ল। ৰাতি বিছনালৈ যোৱাৰ আগমুহূৰ্তলৈকে শ্ৰীপালে নিজৰ-মইৰৰ ভাব প্ৰকাশ কৰাৰ উপৰিও আন কাৰ কাৰ ওপৰত হোৰ তুলিব—সেইবোৰ কথা গোপালৰ আগত বৰ বাহাদুৰিৰে বিবৰিলে।

ৰাতিপুৱা গোপালৰ পৰিবাৰে ভাবিলে যে গিৰিয়েক এতিয়া পুনৰ গাঁৱলৈহে গুচি যাব। কিন্তু গোপালে যেতিয়া ক'লে যে স্বামী আত্মানন্দৰ ওচৰলৈহে যাব — তেতিয়া গোপালৰ পৰিবাৰ বিমূঢ় হ'ল।

পৰিবাৰৰ এই বিমূঢ় ভাবলৈ লক্ষ্য কৰি গোপালে পৰিবাৰক ক'লে, "স্বামী আত্মানন্দই শ্ৰীপালক প্ৰকৃত মানুহ কৰি তুলিব পৰা নাই, সেই কথা ঠিক। কিন্তু যিটো শ্ৰীপাল আছিল এটা নিচেই নীচ স্বাৰ্থপৰ নাস্তিক — তাক যে স্বামী আত্মানন্দই সজ বাট লোৱাইছে—সেই কথাওতো ঠিক। তেওঁৰ সংস্পৰ্শলৈ আহি আহি শ্ৰীপালহেন অমানুহো যেতিয়া কিঞ্চিতমান হ'লেও পৰিৱৰ্তিত হৈছে, মোৰ দ্বিধাগ্ৰস্ত মনৰো পৰিৱৰ্তন নহ'ব বুলি ন-দি ক'ব তো নোৱাৰি। গতিকে—মই আত্মশুদ্ধিৰ বাবে আত্মানন্দ স্বামীৰ ওচৰলৈকে যাম বুলি স্থিৰ কৰিছোঁ।"

গোপালে আত্মশুদ্ধিৰ বাবে সাধু আত্মানন্দলৈ বুলি আগ বাঢ়িল।

চান্দমামা সম্বাদ

মেলাত 'মহল'!

সম্প্ৰতে দিল্লীত এক 'বেলুন মেলা' অনুষ্ঠিত হৈছিল। এই বেলুন-উৰণ-প্ৰতিযোগিতাত কেৱল ভাৰতীয়সকলেই নহয়, জাৰ্মানি আৰু ইংল্যাণ্ডৰপৰাও প্ৰতিযোগী-দল আহিছিল। কিন্তু প্ৰতিযোগিতাৰ নিৰ্ধাৰিত দিনটো পুৱাৰেপৰাই গোমা-ডাৱৰীয়া হৈ থকাত নিৰ্ধাৰিত সময়ত প্ৰতিযোগিতা আৰম্ভ হোৱা নাছিল। কিন্তু হঠাৎ এসময়ত আকাশত উজ্জলি উঠিল 'তাজমহল' আৰু লগে লগে অন্যান্য প্ৰতিযোগীয়েও তেওঁলোকৰ বিৰাট বিৰাট অট্টালিকাৰ দৰে বেলুনবোৰো দিলে উৰুৱাই। তাত উপস্থিত থকা আমাৰ উপৰাষ্ট্ৰপতি কে. আৰ. নাৰায়ণে মন্তব্য কৰিছিল, "এসময়ত এগৰাকী বৃটিছ ভাইছৰয়ে আমাৰ তাজমহলক ভাৰতৰপৰা ইংল্যাণ্ডলৈ লৈ যাব খুজিছিল, কিন্তু পৰা নাছিল। এতিয়া তেওঁ ইয়াত থকা হেঁতেন এই 'বেলুন তাজ'ৰ 'মহল'ক সহজেই উৰুৱাই নিব পাৰিলেহেঁতেন।"

ফট্‌কা ফুটোৱা যতন!

দীপাৱলি বা তেনেবিধৰ উছৱ-পৰ্বৰ দিনত ফটাফট ফটকা নুফুটালেই নহয় নহয়? কিন্তু কাষ চাপি জুই লগাই ফটকা ফুটোৱাত বহুতেই ভয় কৰে। বিশেষকৈ সৰু সৰু ল'ৰা ছোৱালীবিলাকক এইৰোৰ ফুটাবলৈ হাক দিয়ে। তামিলনাডুৰ ইৰোদ নামৰ ঠাইৰ কে. আনন্দম্ নামৰ শিক্ষক এগৰাকীয়ে এটি অভিনৱ ফটকা ফুটোৱা যতন সাজি উলিয়াইছে—যিটোৰ ভিতৰত ফটকা ভৰাই আঙুলিৰে টিপা এটি মাৰিলেই তাৰপৰা ওলোৱা বিজুলীয়ে ফটকাত জুই লগাই দিয়াৰ লগে লগে ফটকাটোক বিছ ফুট দূৰলৈ ওফৰাই পেলাব!





মা

কোনোবা এডৰা অৰণ্যত এক ভৰদ্বাজ চৰাই আছিল। এই ভৰদ্বাজ চৰাইটো সকৰেপৰাই আছিল পৰোপকাৰী গুণ-সম্পন্ন। তাৰ মৰ্তধ্যধামৰ আয়ুস যেতিয়া সমাপ্ত হ'ল, তেতিয়া এগৰাকী দেৱদূত ৰথত উঠি মৰ্ত্যলোকলৈ আহিল আৰু ভৰদ্বাজ চৰাইটোক সেই ৰথত উঠাই স্বৰ্গলোকলৈ লৈ গ'ল।

স্বৰ্গস্থিত দেৱতাসকলে তাৰ পৰোপকাৰী গুণৰ বাবে ভৰদ্বাজ চৰাইটো শলাগ ল'লে আৰু তাক বৰ খুজিবলৈ ক'লে। কিন্তু কি বৰ খুজিব—সেই কথা ভৰদ্বাজে স্থিৰ কৰিব নোৱাৰি দেৱতাসকলৰপৰা এই বাবে সময় প্ৰাৰ্থনা কৰিলে।

এদিন ভৰদ্বাজ চৰাইটোৱে দেৱতা-সকলক ক'লে, "ইয়াত মোৰ একো কাম-কাজ নথকাত সময় কটাবলৈকো টান পাইছোঁ। মোক যদি অনুমতি দিয়ে, মই পুনৰ ভূলোকলৈ যাম।"

দেৱতাসকলে ভৰদ্বাজক এই বৰ দিলে যে — ভৰদ্বাজে য'লৈকে মন যায় — যিলোকলৈ মন যায় যাব পাৰিব, আৰু যিদিনা মন যায়—পুনৰ সেঁাশৰীৰে স্বৰ্গলৈ উভতি আহিব পাৰিব।

তেতিয়া ভৰদ্বাজ চৰাইটোৱে নাৰীৰূপ ধাৰণ কৰি ভূলোকলৈ আহিল আৰু ভৰতাম্মা নামেৰে ভূলোকত জনাজাত হ'ল। আগতে য'ত আছিল, তাতেই ঘৰ সাজি ভৰতাম্মাই বসবাস কৰি থাকিল।

এদিনৰ কথা। ভৰতাম্মাৰ মনত পৰিল নিজৰ বহুকালৰ আগৰ সৰুকালৰ কথা। সৰুকালত এবাৰ তাই তইাৰ এক সম্পৰ্কীয়

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

ককায়েকৰ ওচৰলৈ গৈছিল — সেই দুৰণিবটীয়া চহৰলৈ। চহৰবোৰ কিমান যে ৰংচঙীয়া ঠাই! তাত সদা-সৰ্বক্ষণেই আমোদ আৰু আমোদ। তাই তাইৰ ককায়েকৰ ওচৰলৈ যাবলৈ মনস্থ কৰি ভাবিলে: মই আৰু এই হাবিলৈ নাহোঁ, হাবিয়লীয়া ভৰতাম্মা নাম গুচাই চহৰীয়া ভৰতাম্মা হ'ম। জংলী হৈ থকাতকৈ চহৰীয়া হোৱাত গৌৰব ঢেৰ।

ভালৰো ভাল সাজ-পাৰ পিন্ধি, দুৱাৰ-খিৰিকী ভালকৈ মাৰি, ঘৰৰ দুৱাৰত তলা লগাই— ভৰতাম্মা এদিন চহৰ লৈ বুলি ওলাল। ঘৰৰ চাবিপাট অৰণ্যে খিৰিকীৰ একাষত লুকুৱাই থৈ দিলে।

ভৰতাম্মাই সামান্যমান আগবাঢ়ি যোৱাৰ লগে লগে কোনোবাই মাত লগালে, "ভৰতাম্মা, ভৰতাম্মা!"

ভৰতাম্মাই পিছলৈ ঘূৰি চালে। এটা হৰিণা পোৱালি।

হৰিণা-পোৱালিটিয়ে ভৰতাম্মাক ক'লে, "ভৰতাম্মা, আমাৰ জংগলত চিকাৰী সোমাইছেহি। সি চিকাৰীয়ে যাক পাইছে তাকেই কঁড়িয়াই মাৰিছে। মই তোমাৰ ঘৰত লুকাই থাকিব পাৰিমনে?"

"আৰে! এই কথা আৰু' সুধিব লাগিবনে? ব'ল ভাই।" এই বুলি কৈ ভৰতাম্মাই হৰিণ পোৱালিটোক লগত লৈ পুনৰ ঘৰলৈ আহিল, খিৰিকী-কাষৰপৰা চাবিপাট ল'লে, ঘৰৰ দুৱাৰ খুলিলে আৰু হৰিণা-পোৱালিটিক ঘৰৰ ভিতৰলৈ সুমুৱাই লৈ ক'লে, "চা, ঘৰৰ পিছফালে—বাৰীত তৰহে তৰহে ঘাঁহ-পাত-শাক-পাচলিবোৰ আছে। সেইবোৰ তোৰ মনেখোৱামতে খাবি আৰু ইয়াৰপৰা ক'লৈকো নোলাবি। কিছুদিনৰ পাছত মই উভতি আহিম আৰু তেতিয়াহে তোক যাবলৈ দিম।" এই বুলি কৈ, ভৰতাম্মাই পুনৰ দুৱাৰত তলা মাৰি—চাবিপাট খিৰিকীৰ কাষত লুকুৱাই থৈ—পুনৰ চহৰৰ বাট ল'লে।

খোজ বঢ়ালেহে, এনেতে আকৌ কোনোবাই তাইক মাতিলে, "ভৰতাম্মা! ভৰতাম্মা!"

আকৌ ভাৰতম্মাই পিছ ফাললৈ ঘূৰি চালে। পানী-হাঁহ এজনীয়ে লৰা-ধপৰাকৈ হেঁপই-ফোঁপাই আহি ক'লেহি, "ভৰতাম্মা! মই—মই আমাৰ আন কেইবাজনীৰো সৈতে লগ লাগি ইয়াৰ ঘূলি এটাত সাঁতুৰিবলৈ আহিছিলোঁ। সিহঁতে মোক গুচি যাবলৈ মাতিছিল, কিন্তু মই তথাপি পানীত সাঁতুৰি থকাত সিহঁতে খং উঠি মোক এৰি থৈ গুচি গ'ল। মই বাট-পথ চিনি নাপাওঁ। কি হ'ব মোৰ—ভৰতাম্মা!" পানী-হাঁহজনীয়ে হৰ্‌হৰ্‌কৈ কান্দি থাকিল।

ভৰতাম্মাই পানী-হাঁহজনীক বুজনি দিলে আৰু ক'লে, "নাকান্দিবিচোন—কোনো চিন্তা নকৰিবি। আমাৰ ঘৰৰ পিছফালে ডোবা এটা আছে, তাত তই তাৰ ইচ্ছা মতে সাঁতুৰি-নাতুৰি থাকিবি দে'। এতিয়া তাই আমাৰ ঘৰত থাক। মই চহৰৰপৰা ঘূৰি আহি তোকতোৰ ঘৰত থৈ আহিমগৈ।"

চাবি উলিয়াই আনি, ঘৰৰ দুৱাৰ খুলি, পানী-হাঁহজনীক ঘৰৰ ভিতৰলৈ থৈ, সকলো দেখুৱাই দি, হৰিণা-পোৱালিৰ লগত চিনাকি কৰাই—পুনৰ ঘৰত তলা মাৰি ভৰতাম্মাই চহৰলৈ বুলি খেজ ল'লে।

আৰু লগে লগে পুনৰ এক অতি করুণ কণ্ঠস্বৰ তাইৰ কাণত পৰিল।

ঘূৰি চাই, কেৰ্কেটুৰা এজনীক দেখি ভৰতাম্মাই ভুৰু কঁপাই সুধিলে, "কিনো হ'ল তোৰ কেৰ্কেট-বহিনী?"

কেৰ্কেটুৰাজনীয়ে ক'লে, "বাৰিষাকালি খাব-ল'বলৈ গছৰ খোৰোঙত যিখিনি শস্য সাঁচি থৈছিলোঁ—কোনোবা চোৰে চুৰি কৰি লৈ গ'ল। ঘৰত—মানে—খোৰোঙত এটা দানাও আৰু নাই। কি খাম কি ল'ম, ভাবিকে পোৱা নাই ভৰতাম্মা!

কেৰ্কেটুৰাজনী কান্দি থকাত ভৰতাম্মাই ক'লে, "হাৰে কেৰ্কেট-বহিনী! এই সামাইন কথাতো কান্দিব পায়নে? ব'ল আমাৰ ঘৰলৈ, কিমান খাব খাই থাকিবি। মই চহৰলৈ বুলি ওলাইছোঁ, চহৰৰপৰা অলপতে ঘূৰিম আৰু হৰিণা-পোৱালিক, তোক, আৰু সেই পানী-হাঁহজনীকো নিজৰ নিজৰ ঠাইত থৈ আহিমগৈ।"

এই বুলি কৈ, খিৰিকীৰ কাষৰপৰা পুনৰ চাবিপাট উলিয়াই লৈ, ঘৰৰ তলা খুলি, কেৰ্কেটুবাজনীকো ঘৰৰ ভিতৰলৈ থৈ দিলে আৰু পুনৰ ঘৰৰ দুৱাৰত তলা লগাই চহৰলৈ বুলি খোজ ল'লে।

কিন্তু খোজ লৈয়েই থমকি ৰ'ল।

হঠাৎ ভৰতাম্মাৰ মনত ভাব হ'ল: ইয়াত—এই জংগলতে দেখোন মোৰ মস্ত ডাঙৰ সংসাৰ। এই জংগলৰ প্ৰাণীবোৰে মোক মাতৃৱৎ জ্ঞান কৰে, বিপদত পৰিলে মোৰেই কাষ চাপে। ইহঁতক এৰি—ইমানবোৰ হৃদয়ৰ উম এৰি—সেই ইটা-শিলৰ চহৰলৈ কিয়নো যাম মই? মোৰ নিজৰ সন্তান নাই—কিন্তু এই সমগ্ৰ প্ৰাণীকুলেই দেখোন মোৰ সন্তান!

মৰমতে পমি গৈ ভৰতাম্মাই পুনৰ খিৰিকী-কাষৰপৰা চা বি পা ট উলিয়াই আনি দুৱাৰৰ তলা খুলি চহৰলৈ যোৱাৰ কথা পাহৰি সিহঁতৰ লগত মিলিলগৈ।

বিচিত্র প্ৰকৃতিৰ বৈচিত্ৰ্য

মুৰতে মৰ-কামোৰ!

সাপে সাধাৰণতঃ জীৱন্ত প্ৰাণী ধৰি খায়। যিটো প্ৰাণীক ধৰে, সেই প্ৰাণীটোক সাপে তাৰ মাংসপেশীৰে অতি জোৰেৰে মেৰিয়াই ধৰি প্ৰথমেই প্ৰাণীটোৰ মূৰৰফালৰ গিলি খাবলৈ ধৰে। বিশেষকৈ অজগৰ সাপে এইদৰে ধৰি খায়। যদি হাড় থকা কোনো প্ৰাণীক অজগৰে ধৰি খায়, তেনেহ'লে সেই প্ৰাণীৰ হাড়বোৰ গুড়ি কৰিবলৈ অজগৰে কোনোবা গছৰ ডালৰ লগত প্ৰাণীটোক মেৰিয়াই ধৰি বজ্ৰচেপনেৰে হাড়বোৰ গুড়ি কৰি পেলায়!

একেই অংগত তিনি ৰূপ!

পখিলাৰ পাখি দুখন কিমান যে সমান! ঠিক তেনেকৈয়েই যিকোনো গছৰ পাত। এখিলা পাতৰ একেবাৰে মাজত ফালিলে দুয়োফাল একেইবিধৰ হ'ব। অৱশ্যে—ব্যতিক্ৰম নথকা নহয়। যেনে—উত্তৰ আমেৰিকাত থকা ছাছাফ্ৰ্যাছ নামৰ গছৰ পাত। এই গছৰ একেই জোপাতে তিনিবিধৰ পাত পৰিলক্ষিত হয়!

ছাবমেৰিনতকৈও খৰ!

আণ্টাৰ্কটিকাৰ পেংগুয়িন নামৰ চৰাইবোৰে উৰিব নোৱাৰে। কিন্তু এই চৰাইবোৰে পানীৰ ভিতৰত ছাবমেৰিনতকৈ দ্ৰুতগতিৰে যাব পাৰে। চৰ্দাৰ-পেংগুয়িনে পানীৰ ৮৭০ ফুট গভীৰতালৈ যাব পাৰে আৰু ২০ মিনিটলৈকে পানীৰ তলত ডুবি থাকিব পাৰে!


NOW, GIVE YOUR SON
a life-like MODEL
of the WORLD'S finest GUN

No more toys for your big little boy! Now, you can give him the real thrill of the world's greatest gun.

Tru-Gun. A true-to-life model of the UZI submachine gun developed by Mossad – Israel's elite commando unit.

The feel. The finish. The size. The shape. The sound. Tru-Gun is so much like the original, you can't tell the difference – till you pull the trigger.

- **squirts water in a powerful jet**
- **fires non-stop in a rapid burst**
- **unbreakable high-grade plastic**
- **no sharp edges, no metal pieces**
- **available in black, olive green, metallic silver**

New

Tru-Gun

U.Z.I. submachine gun

A life-like gun loaded with fun

Special Introductory Blast !

Cut out this coupon and shoot over to your favourite toy store, to get 5% off on your TRU-GUN U.Z.I. submachine gun.

Name : ....

Age : .... Class: ....

Address : ....

....

HansaVision CTT 10772

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৩ চনৰ 'মে' সংখ্যাত প্ৰকাশিত হ'ব ।

M. Natarajan

M. Natarajan

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯৩ চনৰ মাৰ্চ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)

CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯৩ চনৰ জানুৱাৰি মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : মৰমৰ তান

দ্বিতীয় ফটো : মৰণৰ ফান

পুৰস্কাৰ প্ৰাপক : মোনালিছা দাস, ৯ম শ্ৰেণী, চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালিকা বিদ্যালয়, ডিব্ৰুগড়।

ভাৰতত বছৰেকীয়া বৰঙণি **চান্দমামা** ৪৮.০০ টকা মাথোন

বৰঙণিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are the exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবাসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা

তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক :
অসমীয়া, হিন্দী· গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্‌,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 105.00 ● উৰাজাহাজ-যোগে 252.00

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে 111.00 ● উৰাজাহাজ-যোগে 252.00

আপোনাৰ বৰঙণি বেৰল ডিমাণ্ড ড্ৰাফ্‌ট্‌ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক :
চাৰ্কুলেশ্যন মেনেজাৰ চান্দমামা পাবলিকেশ্যনছ চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

মিঠাইৰ মাজত
নাৰিকল আছে
মুখত ললেই
মনটি নাচে
FREE!
BUNNY TEETH
INSIDE EVERY 100 GMS
POUCH OF COOKIES
nutrine
COOKIES
লৰা-ছেৱালীয়ে গাই-নাচি মজা কৰে
কোকানাকা কুকীজ
THE FINEST, WIDEST RANGE
nutrine
India's largest selling sweets
Visesh/NC/9090/Ass